সংস্কৃত সংস্কৃতিঃ

সম্পাদনা
মধুমিতা গোস্বামী বৰঠাকুৰ
অদিতি বৰুৱা

1.2
SAN

DIBRU COLLEGE
DIBRUGARH
LIBRARY
Class No. 891.2
Book No. SAN
Accession No. 33882

Accession No.............................
DIBRU COLLEGE
DIBRUGARH
(Assam)
LIBRARY
1. Books may be retained for a period not exceeding 7/15 days by Students.
2. Delay in returning books will attract penalties.
3. Dog-earning the pages of a book, marking or writting therein with ink or pencil, tearing or taking out its pages or otherwise damaging will constitute an injury to a book.
4. Any such injury to book is a serious offence. Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price.
Help to keep the book tidy & clean.

সংস্কৃত সংস্কৃতিঃ

DIBRU COLLEGE DIBRUGARH
33882

সম্পাদনা

মধুমিতা গোস্বামী বৰঠাকুৰ

অদিতি বৰুৱা

সংস্কৃত বিভাগ আৰু IQAC
ডিব্ৰু মহাবিদ্যালয় ঃ ডিব্ৰুগড়

SANSKRIT SANSKRITIH, A collection of eassays edited by Madhumita Goswami Borthakur & Adity Baruah, published by Sanskrit Department in collaboration with IQAC, Dibru College, Dibrugarh, Assam. Printed at Kaustubh Printers, Dibrugarh-3. 7th Publication : September 2010.

© Copyright reserved.

Price Rs. 20.00 only.

সংস্কৃত সংস্কৃতি ঃ মধুমিতা গোস্বামী বৰঠাকুৰ আৰু অদিতি বৰুৱাৰ দ্বাৰা সম্পাদিত। সংস্কৃত বিভাগৰ উদ্যোগত আৰু IQAC ডিব্ৰু কলেজ, ডিব্ৰুগড়, অসমৰ সহযোগত প্ৰকাশিত।

মুদ্ৰক ঃ 'কৌস্তুভ প্ৰিন্টাৰ্ছ, মিলন নগৰ, ডিব্ৰুগড় - ৩।

সপ্তম প্ৰকাশ ঃ ছেপ্টেম্বৰ, ২০১০ খ্ৰীষ্টাব্দ।

© সৰ্বস্বত্ব সংৰক্ষিত।

মূল্য ঃ ২০.০০ টকা মাত্ৰ।

উৰ্চগা

'সংস্কৃত-সংস্কৃতিঃ' ৭ম সংখ্যাটি
আমাৰ পৰম আৰাধ্য
শিক্ষাগুৰু প্ৰাচ্যতত্ত্ববিদ ড° মুকুন্দ মাধৱ শৰ্মা
দেৱৰ পবিত্ৰ
স্মৃতিত
উৰ্চগা কৰা
হ'ল।

অৱতাৰণিকা

বিশ্বৰ শ্ৰেষ্ঠতম প্ৰাচীন ভাষাসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ সংস্কৃত হ'ল এটা অতি প্ৰসিদ্ধ ভাষা। সংস্কৃত ভাষাৰ লগত পৰিচয় নাথাকিলে আধুনিক ভাৰতীয় ভাষাবিলাকৰ লগত আন্তৰিক পৰিচয় স্থাপন কৰাটো সম্ভৱ নহয়। গ্ৰীক, লেটিন আদি ভাষাও সংস্কৃতৰ দৰে ইমান সমৃদ্ধ নহয় আৰু সংস্কৃত ভাষাৰ যি ব্যাকৰণ সেইয়া ইমান বিজ্ঞানসন্মতভাৱে পৰিকল্পিত যে পৃথিৱীৰ কোনো ভাষাৰ ব্যাকৰণৰ লগত ইয়াৰ তুলনা নহয়। ১৭৮৬ খ্ৰীষ্টাব্দৰ ৰয়েল এচিয়াটিক সোসাইটিৰ উদ্বোধনী ভাষণত স্যাৰ উইলিয়াম্ জোন্‌সে সেয়েহে মন্তব্য কৰিছিল— "The Sanskrit language whatever be its antiquity is of wonderful structure more perfect than the Greek, more copious than the Latin and more exquisitbly refined than either, yet bearing to both of them a stronger affinity both in the roots of verbs and the forms of grammer, that could possibly have been produced by accident."

এনে এটি সমৃদ্ধিশালী ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগে আৰম্ভণিৰ পৰাই চেষ্টা কৰি আহিছে। তাৰেই ফলশ্ৰুতিত জন্ম হৈছিল 'সংস্কৃত সংস্কৃতি'ৰ। সহজ সৰলভাৱে সকলোৱে বুজি পাব পৰাকৈ সেয়েহে সংস্কৃতৰ বিষয়ে যৎসামান্য জ্ঞান বিলোৱাৰ উদ্দেশ্যেৰে অসমীয়াকে মাধ্যম হিচাবে লৈ 'সংস্কৃত সংস্কৃতি' প্ৰকাশ কৰি অহা হৈছে। আমাৰ উদ্দেশ্য আগত ৰাখিয়েই ২০০৮ চনত 'বৰ্তমান সময়ত সংস্কৃত শিক্ষাৰ প্ৰয়োজনীয়তা আছেনে?' শীৰ্ষক এখন আলোচনা চক্ৰৰ আয়োজন কৰা হৈছিল। উক্ত আলোচনা চক্ৰখনত বিভিন্নজনৰ দৃষ্টিভংগী জানিবৰ বাবে আমি বুদ্ধিজীৱিৰ উপৰিও এজন বিশিষ্ট ভূ-তত্ত্ববিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূ-তত্ত্ব বিভাগৰ ড° যোগেন্দ্ৰনাথ শৰ্মা আৰু বিশিষ্ট সঙ্গীতজ্ঞ শ্ৰীযুত তপন বৰদলৈদেৱক আমন্ত্ৰণ কৰিছিলো। আমাৰ এই 'সংস্কৃত সংস্কৃতি' ৭ম খণ্ডটিত তেখেতসকলৰ একোটিকৈ মূল্যৱান লেখাও

প্ৰকাশ কৰা হৈছে। আমাৰ অনুৰোধ ৰক্ষা কৰি দুয়োজন ব্যক্তিয়ে লিখিত আকাৰত তেখেতলোকৰ বক্তব্য আমাৰ হাতত তুলি দিয়া বাবে আমি তেখেতসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো, ইয়াৰোপৰি সহকৰ্মী অদিতি বৰুৱা মৰমৰ ছাত্ৰ মানবেন্দ্ৰ, মৰমৰ ছাত্ৰী বন্তিলৈও তেওঁলোকৰ লিখনিৰ বাবে কৃতজ্ঞতা জনালোঁ।

আৰ্থিক সাহায্য প্ৰদান কৰি এই সংস্কৰণটি প্ৰকাশৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে মই আই, কিউ, এ, চি, ডিব্ৰু মহাবিদ্যালয় তথা কলেজ কৰ্তৃপক্ষৰ ওচৰত বিশেষভাৱে কৃতজ্ঞ।

সদৌ শেষত কৌস্তুভ প্ৰকাশনে যথাসময়ত পুস্তিকাখনি উলিয়াই দিয়া বাবে স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মীলৈ আন্তৰিক ধন্যবাদ জনালোঁ।

জয়তু সংস্কৃতম্

৬ ছেপ্টেম্বৰ

মধুমিতা গোস্বামী বৰঠাকুৰ
বিভাগীয় মূৰব্বী, সংস্কৃত বিভাগ
ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়

সূচীপত্ৰ

সংস্কৃত সাহিত্য আৰু বিজ্ঞান —এটি চমু পৰিচয় ৯
ড° যোগেন্দ্ৰ নাথ শৰ্মা

সাংগীতিক দৃষ্টিকোণৰ পৰা বৰ্তমান যুগত সংস্কৃত শিক্ষাৰ প্ৰাসংগিকতা আছেনে? শীৰ্ষক এটি চমু আলোচনা ১৩
তপন বৰদলৈ

বৈদিক যুগীয় সমাজত নাৰী ঃ যৎকিঞ্চিত অৱলোকন ২০
মধুমিতা গোস্বামী বৰঠাকুৰ

মনুসংহিতাত ৰজা আৰু ৰাজধৰ্ম ২৫
অদিতি বৰুৱা

কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকত ৰস ঃ এটি চমু আলোচনা ৩০
মানবেন্দ্ৰ চাংমাই

অসমীয়া ভাষাত সংস্কৃত শব্দৰ ব্যৱহাৰ ৩৪
বন্তি গগৈ

সংস্কৃত সাহিত্য আৰু বিজ্ঞান — এটি চমু পৰিচয়

ড° যোগেন্দ্ৰ নাথ শৰ্মা
প্ৰাধ্যাপক ভূতত্ব বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

বিশ্বৰ শ্ৰেষ্ঠতম প্ৰাচীন ভাষাসমূহৰ ভিতৰত ভাৰতবৰ্ষৰ সংস্কৃত ভাষা এটি অতি প্ৰসিদ্ধ ভাষা। সংস্কৃত ভাষা ইউৰোপৰ গ্ৰীক, লেটিন আদি প্ৰাচীন ভাষাতকৈও বেচি সমৃদ্ধ। সংস্কৃত ভাষাৰ অবিহনে ভাৰতবৰ্ষৰ কোনো আঞ্চলিক ভাষাই উন্নতি কৰিব নোৱাৰিলেহেঁতেন। সেইবাবে সংস্কৃতৰ লগত পৰিচয় নাথাকিলে আধুনিক ভাৰতীয় আঞ্চলিক ভাষাসমূহৰ লগত আন্তৰিক পৰিচয় স্থাপন কৰাটো সম্ভৱ নহয়।

সংস্কৃত ভাষাক অনেকে বৈদিক বা আৰ্যসকলৰ ভাষা আৰু বিশেষকৈ ব্ৰাহ্মণসকলৰ ভাষা বুলি গণ্য কৰে। এই কাৰণেই এই ভাষাৰ প্ৰতি অৱক্ষয়ৰ মনোভাব গা কৰি উঠা বুলি অভিযোগ উঠি আহিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল সংস্কৃত ভাষা সাহিত্যৰ বিভিন্ন উৎকৃষ্ট দিশ সৰ্বসাধাৰণ মানুহৰ দৃষ্টিগোচৰ নহয়। কিন্তু মানসিক আৰু বৌদ্ধিক দিশৰ উন্নতি সাধন কৰিবলৈ হ'লে ভাষা জ্ঞানৰ প্ৰয়োজনীয়তা ইংৰাজী ভাষাতকৈ বহুগুণে বেছি।

বহুতে মন্তব্য দিয়ে যে সংস্কৃত বৰ্তমানে এটা মৃত ভাষা, গতিকে ইয়াক চৰ্চা কৰিলে কিবা লাভ হ'ব জানো? কিন্তু দকৈ ভাবি চালে দেখা যায় এই মন্তব্যটো সত্য নহয়। উদাহৰণস্বৰূপে এটা সময়ত যেতিয়া আঞ্চলিক ভাষাসমূহৰ পৰিভাষা বা অভিধান প্ৰস্তুত কৰাৰ কাম হাতত লোৱা হয়, তেতিয়া বিজ্ঞান, কাৰিকৰী আৰু প্ৰযুক্তি বিদ্যাৰ বহুত ইংৰাজী শব্দৰ সমাৰ্থক শব্দ যদি আঞ্চলিক ভাষাই যোগান ধৰিব নোৱাৰে তেন্তে সেই শব্দবোৰ সংস্কৃত ভাষাত সহজে বিচাৰি পোৱা যায়।

অৰ্থাৎ এনে এটি তেনেকুৱা আধুনিক শব্দ নাই যাৰ অৰ্থ বা সমাৰ্থক শব্দ সংস্কৃত ভাষাত পোৱা নাযায়। গতিকে বিদেশী শব্দৰ গ্ৰাসৰ পৰা আঞ্চলিক বৈজ্ঞানিক পৰিভাষাক মুক্ত কৰাত আমাৰ সংস্কৃত ভাষাই প্ৰধান ভূমিকা পালন কৰিছে। সেয়েহে এনে এটি সুসমৃদ্ধ ভাষা কাহানিও অৱহেলিত হোৱা উচিত নহয়। বহুতে আকৌ সংস্কৃত ভাষাক এক জটিল ভাষা বুলি মন্তব্য দিয়ে। কিন্তু সংস্কৃত ভাষাৰ বাক্য সজাতো বৰং বেছি সহজ। কাৰণ সংস্কৃতৰ বাক্যত কৰ্তা, কৰ্ম, ক্ৰিয়া আদিক কোনো নিৰ্দিষ্ট স্থান নাই, বৈয়াকৰণিক নিয়ম পালন কৰি বাক্যটো শুৱলা হ'বলৈ য'তেই সুবিধা হয় তাতেই বহুৱাব পাৰি। বৰ্তমান যুগটো কম্পিউটাৰৰ যুগ। এতিয়া কম্পিউটাৰৰ সহায়ত বিভিন্ন ভাষাক অনুবাদ কৰাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে। অতি গৌৰৱৰ কথা এয়ে যে পৃথিৱীৰ সকলোবোৰ ভাষাৰ ভিতৰত সংস্কৃতেই হ'ল একমাত্ৰ ভাষা যাক কম্পিউটাৰে সহজে গ্ৰহণ কৰিব পাৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল পূৰ্বে উল্লেখ কৰাৰ দৰে ভাষাটোৰ সৰলতা।

বৌদ্ধিক আৰু আধ্যাত্মিক দিশৰ উন্নতিৰ ক্ষেত্ৰত সংস্কৃত সাহিত্য সম্ভাৰে আমাৰ ভাৰতীয় জীৱনত আৰু বৰ্তমানে পৃথিৱীৰ আন বহুত দেশত প্ৰভাৱ পেলাব পাৰিছে। উদাহৰণস্বৰূপে গীতাৰ বাণীসমূহৰ তাৎপৰ্যই সৰ্বসাধাৰণ মানুহক যুগ যুগ ধৰি আধ্যাত্মিক আৰু মানসিকভাৱে সমৃদ্ধ কৰি আহিছে। কাব্য-মহাকাব্য, উপনিষদ পুৰাণ, পঞ্চতন্ত্ৰ, নীতি শ্লোক আদিৰ মনোৰম কাহিনীবোৰে মানুহক বুদ্ধিমান, কৰ্তব্য পৰায়ণ আৰু নীতি কুশল কৰি তোলাত পাৰ্গত কৰি আহিছে। এই সময়ত মনুসংহিতাৰ উপদেশসমূহৰ কিছুমানক বহুতে কুসংস্কাৰ বুলি ভাবি আহিছিল যদিও বৰ্তমান সেইবোৰৰ বৈজ্ঞানিক মূল্য অনুধাৱন কৰিব পৰা গৈছে।

নাৰীৰ মৰ্যাদা ৰক্ষা কৰা, পশু-পক্ষীৰ প্ৰতি মৰম, সহানুভূতি, পৰিৱেশ সংৰক্ষণত গছ-গছনি ৰোপন, জল সংৰক্ষণ ইত্যাদি বৰ্তমান সময়ত বিশেষ গুৰুত্ব পোৱা বিষয়বোৰ কিন্তু সংস্কৃত সাহিত্যত হাজাৰ বছৰ পূৰ্বেই লিপিবদ্ধ হৈ আছে। সংস্কৃত ভাষা সাহিত্যৰ সাম্যক জ্ঞান সৰ্বসাধাৰণ মানুহৰ নথকাৰ বাবেই এনেবোৰ বিষয় আমাৰ বাবে নতুন উদ্ভাৱন যেন ভাব হৈছে।

সংস্কৃতৰ এটা গুৰুত্বপূৰ্ণ অৱদান হ'ল ইয়াৰ সাহিত্য। জীৱনক গভীৰভাৱে উপলব্ধি কৰিবলৈ হ'লে সাহিত্যৰ সুধা পান কৰাটো অপৰিহাৰ্য। নান্দনিকভাৱে পৰিতৃপ্ত কৰাৰ ক্ষমতা একমাত্ৰ সংস্কৃত সাহিত্য সম্ভাৰহে পোৱা যায়। উদাহৰণস্বৰূপে মহাকবি কালিদাসৰ 'অভিজ্ঞানম শকুন্তলম্' ৰ দৰে অমৰ সাহিত্যৰ ৰস আস্বাদন কৰিবলৈ হ'লে সংস্কৃত ভাষাৰ জ্ঞান অপৰিহাৰ্য। ইয়াৰ অনুবাদ মূল

3382/

গ্ৰন্থৰ ভাষাৰ লালিত্যৰ কাষ চাপিবই নোৱাৰে। গতিকে সংস্কৃত ভালদৰে নজনাজনে এনে এক জ্ঞানৰ উপলব্ধিৰ পৰা বঞ্চিত হৈ ৰ'ব।

বহুতে আকৌ হয়তো মানি ল'বলৈ টান পাব যে বৈদিক যুগৰ সংস্কৃত ভাষা সাহিত্যৰ লগত প্ৰাচীন কালৰ নানান বৈজ্ঞানিক তথ্য সন্নিবিষ্ট হৈ আছে। কিন্তু ভাষাবিদসকলে সেইবোৰৰ বৈজ্ঞানিক গুৰুত্ব অনুধাৱন কৰাত অপাৰগ হোৱা বাবেহে এনে ধাৰণা গঢ় লৈ উঠিছে। কিন্তু সৌভাগ্যৰ বিষয় এয়ে যে বৰ্তমান বহু বিজ্ঞানীয়ে প্ৰাচীন সংস্কৃত সাহিত্যৰ ৰহস্য বিশ্লেষণ কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে আৰু সেইবাবে তাৰ ভালেমান বৈজ্ঞানিক কথা আজি পোহৰলৈ আহিছে।

খৃঃপূঃ ১৫০০ বছৰ কালত ঋকবেদ ৰচনা কৰা হৈছিল। কিন্তু তাৰ বহু হাজাৰ বছৰ পূৰ্বৰ পৰা বেদৰ কথাবোৰ মানুহৰ মুখে মুখে পুৰুষানুক্ৰমে বাগৰি আহিছিল। বেদৰ সূক্তবোৰত সেইসময়ৰ প্ৰাকৃতিক অৱস্থাৰ কথা অতি স্পষ্টকৈ লিখা আছে। সাধাৰণ সংস্কৃতভাষাবিদে এনেবোৰক কাব্যিক দৃষ্টিৰে দেখে কাৰণ বহুতবোৰ কথা ইয়াত প্ৰতীক হিচাপে দিয়া আছে। কিন্তু আজিৰ বিজ্ঞানৰ যুগত এইবোৰ বৈজ্ঞানিক দৃষ্টিৰে পৰীক্ষা কৰাৰ অৱকাশ আছে। তাকে কৰিব পাৰিলে বেদসমূহ ধৰ্মশাস্ত্ৰৰ লগতে একোখন বৈজ্ঞানিক দলিল ৰূপেও প্ৰতিষ্ঠিত হ'ব।

উদাহৰণস্বৰূপে ঋক বেদৰ ১-৬১-১০, ২-১৯-৩ আৰু ৭-২৭-৩ আদি সূক্ত মতে এসময়ত অতি মন্থৰ গতিৰ সৰ্পদানৱ অহিয়ে পৃথিৱীৰ গোটেইবোৰ পানী হিমালয়ত বন্দী কৰি ৰাখিছিল। এই অহিক বৃত্তাসুৰ বুলিও কোৱা হয়। দেৱৰাজ ইন্দ্ৰই ব্ৰজৰ দ্বাৰা অহিক আক্ৰমণ কৰিলত অহি ক্ৰমান্বয়ে দুৰ্বল আৰু ক্ষীণ হৈ আহিব ধৰিলে। অৱশেষত তাক ইন্দ্ৰই বজ্ৰৰে টুকুৰা টুকুৰকৈ কাটি বধ কৰিলে। তেতিয়া অহিয়ে আবদ্ধ কৰি ৰখা পানী মুক্ত হৈ সমতললৈ হৈ আহিল।

বৈজ্ঞানিক দৃষ্টিৰে চালে দেখা যায় যে বেদত উল্লেখ কৰা মন্থৰ গতিৰ অহি মানে হিমবাহ। হিমবাহবোৰ দেখাত এটা দৈত্যকায় সৰ্পৰ দৰে। ইয়াৰগতি অতি মন্থৰ। তুষাৰ যুগৰ পৃথিৱীৰ এক তৃতীয়াংশ পানী হিমবাহত আবদ্ধ হৈ আছিল। তেতিয়া বৰষুণৰ পৰিমান আছিল কম। এই তুষাৰ যুগৰ অৱসান ঘটিছিল আজিৰ পৰা ৯-১০ হাজাৰ বছৰ আগতে। ইফালে বৈদিক সূক্তবোৰ প্ৰায় ৮০০০ বছৰ আগৰ পৰা ৰচনা হোৱা বুলি ভবা হৈছে। তেতিয়া পূৰ্বৰ শুকান জলবায়ু ক্ৰমান্বয়ে উষ্ণ আৰু সেমেকা হৈছিল, গতিকে আকাশত মেঘ আৰু বিজুলী-গাজনীৰ আবিৰ্ভাৱ হৈছিল। গৰম জলবায়ুৰ বাবে হিমবাহবোৰ লাহে লাহে গলি গলি ক্ষীণ হৈ নোহোৱা হৈছিল। গাজনি বজ্ৰপাতৰ শব্দ আদিম মানুহৰ বাবে বৰ চমৎকাৰ

ঘটনা সেইবোৰকে ইন্দ্ৰ দেৱতাৰ বজ্ৰ বুলি ভাবি লৈছিল। তেওঁলোকে ভাবিছিল যে ইন্দ্ৰই ৱজপাত মাৰি সৰ্পদানব অহিক বধ কৰিলত সি আবদ্ধ কৰি ৰখা পানী মুক্ত হৈ পৰ্বতৰ পৰা বৈ পৃথিৱীখন শস্যশ্যামলা কৰিলে।

তেনেদৰে সংস্কৃত ভাষাত সাহিত্যৰ পৰা প্ৰাচীন কালৰ নৈ পৰ্বত আদিৰ অৱস্থানৰ বিষয়ে বহুত তথ্য পাব পাৰি। উদাহৰণস্বৰূপে ৰামায়ণ মহাকাব্যত ৰাম বনবাসলৈ যোৱাৰ সময়ত তেওঁ অযোধ্যাৰ পৰা দক্ষিণলৈ যাওঁতে সৰজু, তমসা আদি যিবোৰ নৈ পাৰ হৈ চিত্ৰকূট পাইছিলগৈ সেইবোৰৰ অতীতৰ অৱস্থান সম্পৰ্কে বিতংকৈ পোৱা যায়। সেইদৰে দাক্ষিণ্যতৰ বহু প্ৰাচীন ভৌগোলিক তথ্য ৰামায়ণৰ পৰাই উপলব্ধ হৈছে। মহাভাৰত মহাকাব্যৰ পৰা জানিব পাৰি যে তাত শ্ৰীকৃষ্ণৰ ভ্ৰাতৃ বলোৰামে তেতিয়া সৰস্বতী নদীখন ঠায়ে ঠায়ে শুকাই পৰা আৰু ঠাইবোৰ বালিময় হৈ পৰা কথা উল্লেখ কৰা হৈছে। এটা সময়ত সৰস্বতী নদী বৰ্তমান ৰাজস্থানৰ মাজেদি হৈ ইয়াৰ উপত্যকা উৰ্বৰা কৰি ৰাখিছিল। সৰস্বতী নদীখন শুকাই যোৱাৰ লগে লগে উৰ্বৰ শস্যশ্যামলা উপত্যকাখন পাছত বালিময় মৰুভূমিত পৰিণত হ'ল। গতিকে অতীজৰ জলবায়ু পৰিৱৰ্তনৰ বহুত তথ্য প্ৰাচীন সংস্কৃত সাহিত্যত সন্নিবিষ্ট হৈ আছে। জলবায়ু পৰিৱৰ্তন বৰ্তমান এটা জ্বলন্ত বিষয়। গতিকে অতীতৰ জলবায়ুৰ বিষয়ে জনাত সংস্কৃত সাহিত্যই প্ৰচুৰ সহায় কৰিব বুলি আশা কৰিব পাৰি।

শেহত ক'ব পাৰি যে সংস্কৃত ভাষাৰ গুৰুত্ব কাহানিও কম হ'ব নোৱাৰে। এই ভাষাই ভাৰতীয় পৰম্পৰা, সংস্কৃতি আৰু মানুহৰ মানসিকতাক এক ভিন্ন সুতিৰে গঢ় দিছে। বৰ্তমান বৈজ্ঞানিক যুগতো এই ভাষাৰ সাহিত্যিক মূল্য নানা বৈজ্ঞানিক তথ্য পাতিত বিচাৰি পোৱা গৈছে।❑

সাংগীতিক দৃষ্টিকোণৰ পৰা বৰ্তমান যুগত সংস্কৃত শিক্ষাৰ প্ৰাসংগিকতা আছেনে? শীৰ্ষক এটি চমু আলোচনা

তপন বৰদলৈ
সংগীতজ্ঞ

বিশ্ববিখ্যাত Encyclopedia, Children's Britannica, London. Vol.6 ত সংগীতৰ পৰিভাষা এনেধৰণে দিয়া আছে —

'Music can be defined as an art of combining sounds, produced by human voice or musical instruments which can express man's feelings, whenever he wishes to share them with other.

এই পৰিভাষাৰ দ্বাৰা এটা কথা স্পষ্ট হয় যে সংগীতে মানুহৰ মনৰ ভাবহে প্ৰকাশ কৰে।

বিশিষ্ট বিদ্বান পণ্ডিত শাৰংগদেৱে ভাৰতীয় ললিত কলাৰ ৬৪ বিধ কলাৰ ভিতৰত গীত, বাদ্য আৰু নৃত্যয়েই যে মানুহৰ মনৰ ভাব প্ৰকাশৰ উৎকৃষ্ট মাধ্যম তাক অনুমান কৰিব পাৰিছিল আৰু সেয়ে তেখেতে এটা শ্লোকতে গোটেই কথাখিনি সামৰি লৈছিল এনেদৰে—

'গীতং, বাদ্যং, তথা নৃত্যং
ত্ৰয়ং সংগীতমুচ্যতে।"

নিজ নিজ বৈশিষ্ট্যৰে চহকী এই তিনিও বিধ কলাৰ ভিতৰত গীতকেই প্ৰাধান্য দিয়া হয় বুলি গ্ৰন্থখনত উল্লেখ কৰা আছে এনেদৰে —

'নৃত্যং বাদানুগং প্ৰোক্তং
বাদ্যং গীতানুৱৰ্তী চ।
অতো গীতং প্ৰধানত্বা

দত্ৰাদাবভি ধীয়তে।।

অৰ্থাৎ গীতৰ অধীন বাদ্য, বাদ্যৰ অধীন নৃত্য। সেই কাৰণেই এই তিনিও কলাৰ ভিতৰত গীতকেই প্ৰাধান্য দিয়া হয়।

গীত বা সংগীতনো কি এই কথাৰ ওৰ বিচাৰি আমি বহু বছৰ পূৰ্বলৈ আগুৱাই যাব লাগিব।

আৰ্য্যসকল ভাৰতলৈ অহাৰ আগতে ভাৰতত অনাৰ্যসকলে বাস কৰিছিল বুলি বুৰঞ্জীবিদ সকলে কয়। মানুহৰ ভাষাৰ সৃষ্টি হোৱাৰ আগতেই যে সংগীতৰ উৎপত্তি হৈছিল এই বিষয়ে বিশ্বৰ প্ৰায় সকলোবোৰ গৱেষকেই একমত। কিন্তু ভাৰতত কেতিয়াৰ পৰা সংগীত চৰ্চা আৰম্ভ হ'ল, তাৰ বিষয়ে পণ্ডিতসকল এতিয়াও একমত হ'ব পৰা নাই।

থূলমূলকৈ ধৰি লোৱা হয় যে আৰ্য্যসকল ভাৰতলৈ অহাৰ পিছৰ পৰাই ভাৰতত সংগীত চৰ্চাৰ আৰম্ভ হয়। পিছে মহেঞ্জদাৰো আৰু হৰপ্পাৰ খনন কাৰ্যৰ পৰা পোৱা মূৰ্তি সমূহৰ পৰা এই কথা গম পোৱা গ'ল যে আৰ্য্যসকল ভাৰতলৈ অহাৰ আগতেই ভাৰতত সংগীত চৰ্চা আছিল। কিয়নো সেই ঠাইৰ খনন কাৰ্যৰ পৰা উদ্ভৱ হোৱা মূৰ্তি সমূহত সাতোটা ছিদ্ৰযুক্ত বাঁহী, তন্ত্ৰীযুক্ত বীণা, চামৰাৰ বিভিন্ন বাদ্যযন্ত্ৰ, নৃত্যশীলা নাৰী আৰু ব্ৰোঞ্জৰ তৈয়াৰী নতৰ্কৰ মূৰ্তি পোৱা গৈছে। এই কথাৰ পৰা এটা কথা নিশ্চিত হ'ব পাৰি যে সেই সময়তো উচ্চস্তৰৰ সংগীত চৰ্চা কৰা হৈছিল, কিন্তু পৰিতাপৰ কথা যে এই সিন্ধু সভ্যতাৰ যুগৰ পৰা বৈদিক সভ্যতাৰ যুগলৈকে এই মধ্যৱৰ্তী কালছোৱাৰ সংগীতৰ কোনো ইতিহাস পোৱা নাযায়।

আৰ্য্যসকলৰ ভাৰতলৈ আগমনৰ পিছৰ পৰাই বৈদিক যুগৰ সূচনা হয়। এই যুগ খৃঃপূঃ ২০০০ ৰ পৰা খৃঃপূঃ ১০০০ চনলৈকে বিস্তৃত বুলি ধৰা হয়। বেদ ভাৰতৰ প্ৰাচীন সাহিত্য। এই বেদতেই ভাৰতীয় কলা সংস্কৃতি নিহিত হৈ আছে। ভাৰতীয় সংগীতৰ জন্ম উৎসও হৈছে এই বেদ। গতিকেই ক'ব পাৰি যে ভাৰতীয় সংগীতৰ খ্ৰীষ্ট জন্মৰ আগতেই হৈছিল। বেদৰ মন্ত্ৰ সমূহেই হৈছে এই সংগীতৰ উৎস। গতিকে এই কথা অনস্বীকাৰ্য যে বৈদিক যুগৰ সংগীত যাগ-যজ্ঞৰ অংগীভূত আছিল।

বেদ বুলিলে ঋকবেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ — এই চাৰিওখনকে বুজা যায় যদিও সামবেদৰ মন্ত্ৰ সমূহক গীত হিচাবে গোৱা হয়। উল্লেখ্য যে সামবেদত ঋকবেদৰ মন্ত্ৰ সমূহৰ পুনৰুক্তি ঘটিলেও গীতযুক্ত হোৱাৰ বাবে সামবেদ ঋকবেদতকৈ পৃথক হৈ পৰিছে। সায়নাচাৰ্য্যৰ মতে গীতিৰূপ মন্ত্ৰ সমূহেই হৈছে সাম— অৰ্থাৎ "গীতিৰূপা মন্ত্ৰাঃ সামানি।"

প্ৰকৃততে ঋকমন্ত্ৰ সমূহৰ দ্বাৰা দেৱতাক আহ্বান কৰাৰ পিছত সামমন্ত্ৰ সমূহৰ দ্বাৰা দেৱতাৰ স্তুতি গান কৰা হৈছিল। এই সামবেদৰ ৰচনা কালতেই সপ্তস্বৰ বিকাশ ঘটিছিল। পূৰ্বাচিক, উত্তৰাৰ্চিক, গ্ৰামগেয় গান, অৰণ্যগেয় গান ঊহ, উহ্য, স্তোভ, স্তোম প্ৰভৃতি আছিল বৈদিক সংগীতৰ ৰূপ।

ওপৰত কোৱা হৈছে যে সামবেদৰ ৰচনা কালতেই সপ্তস্বৰৰ প্ৰকাশ ঘটিছিল। আধুনিক যুগৰ মন্দ্ৰ, মধ্য আৰু তাৰ— এই তিনিওটা স্বৰস্থান বৈদিক যুগৰেই দান। বৈদিক যুগৰ তিনিটা স্বৰ স্থানৰ নাম উদাত্ত, অনুদাত্ত আৰু স্বৰিত। এই তিনিওটা স্বৰৰ পৰিচয়ো বেদত অতি সুন্দৰকৈ পোৱা যায়। যেনে—

উদাত্ত স্বৰ ঃ শুক্লবৰ্ণৰ আৰু সাত্বিক গুণপ্ৰধান

অনুদাত্ত স্বৰ ঃ ৰক্তবৰ্ণৰ আৰু ৰজঃগুণ প্ৰধান

স্বৰিত স্বৰ ঃ কৃষ্ণবৰ্ণৰ আৰু তমোগুণ প্ৰধান

ব্যাকৰণবিদ মহৰ্ষি পানিনিৰ মতে সামগানত সপ্তস্বৰৰ প্ৰয়োগ উদাত্ত অনুদাত্ত আৰু স্বৰিত এই তিনি স্থানতেই কৰা হৈছিল। তলৰ শ্লোকটোৱেই ইয়াৰ উদাহৰণ—

উদাত্তে, নিষাদগান্ধাৰাবাদানুদাত্তে ঋষভধৈৱতা।

স্বৰিত প্ৰভবা হ্যেতে ষড়জ, মধ্যম, পঞ্চমাঃ।।

— অৰ্থাৎ নিষাদ, গান্ধাৰ—উদাত্ত

ঋষভ আৰু ধৈৱত — অনুদাত্ত

আৰু ষড়জ, মধ্যম আৰু পঞ্চম — স্বৰিত।

উল্লেখ্য যে সামবেদৰ অন্তিম কালছোৱাতে বৰ্তমান সাতোটা স্বৰৰ উদ্ভৱ হয়। সেই যুগত এই সপ্তস্বৰৰ নাম আছিল — ক্ৰুষ্ট, প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ মন্ত্ৰ আৰু অতিচাৰ্য্য। ভাৰতীয় মাৰ্গ সংগীতত এই সাতোটা স্বৰ প্ৰয়োগ কৰাৰ পিছত ইয়াক ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ নামেৰে নামাকৰণ কৰা হ'ল। এই সামবেদকে ভাৰতীয় সংগীতৰ উৎস বুলি মানি লৈ বিভিন্ন সময়ত বিভিন্ন শাস্ত্ৰকাৰে অমূল্য গ্ৰন্থ ৰচনা কৰি ভাৰতীয় সংগীতৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

সামবেদক আধাৰ গ্ৰন্থ হিচাবে মানি লৈ, আনুমানিক খৃষ্টীয় চতুৰ্থ শতাব্দীত ভৰত মুনিয়ে এখন গ্ৰন্থ ৰচনা কৰিছিল আৰু এই গ্ৰন্থখনকেই ভৰতৰ নাট্যশাস্ত্ৰ

বুলি কোৱা হয়।

ভৰতে এই নাট্য শাস্ত্ৰৰ যোগেদি ভাৰতীয় সংগীত মহলক যি আপুৰুগীয়া সম্পদ দি গ'ল, সঁচাকৈয়ে তাৰ কোনো তুলনা নহয়। এই নাট্যশাস্ত্ৰৰ ছয়টা অধ্যায় (২৮, ২৯, ৩০, ৩১, ৩২ আৰু ৩৩) সংগীতৰ লগত পোনপটীয়াভাৱে জড়িত। যেনে —

২৮ নং অধ্যায় ঃ চাৰি প্ৰকাৰৰ বাদ্য যন্ত্ৰ (তত বাদ্য, ঘন বাদ্য, সুষিৰ বাদ্য আৰু অনবদ্ধ বাদ্য।

ক) তত বাদ্য ঃ তাঁৰৰ বাদ্য যেনে তাঁৰ, বেহেলা সৰোদ, তানপুৰা বীণা আদি।

খ) ঘন বাদ্য ঃ কাঠ, বাহ, কাঁহ আদিৰে নিৰ্মিত বাদ্য যেনে — কাষ্ঠতৰংগ। কৰতাল, জলতৰংগ আদি।

গ) সুষিৰ বাদ্য ঃ বায়ুৰ সহায়ত শব্দ উৎপন্ন কৰি বজোৱা বাদ্য — বাঁহী, শেহনাই, পেঁপা, হাৰমনিয়াম আদি।

ঘ) অনবদ্ধ বাদ্য ঃ হাত, বাঁহ, কাঠ আদিৰে আঘাত কৰি শব্দ উৎপাদন কৰিব পৰা চৰ্মাবৃত বাদ্য — যেনে, তবলা, মৃদং, ঢোল, খোল, নেগেৰা, ডবা আদি।

২৯ নং অধ্যায়ত ঃ ৰাগৰ জাতিৰ ৰসানুকুল প্ৰয়োগ আৰু বিভিন্ন প্ৰকাৰৰ বীণা আৰু এইবোৰৰ বাজন বিধিৰ বিষয়ে উল্লেখ আছে।

৩০ নং অধ্যায়ত ঃ সুষিৰ বাদ্যৰ বিষয়ে বৰ্ণনা দিয়া আছে।

৩১ নং অধ্যায়ত ঃ কলা, লয় আৰু বিভিন্ন তানৰ বিৱৰণ দিয়া আছে।

৩২ নং অধ্যায়ত ঃ ছন্দবিধি আৰু গায়ক বাদকৰ গুণ আৰু অৱগুণৰ বিষয়ে বৰ্ণনা কৰা আছে।

৩৩ নং অধ্যায়ত ঃ অনবদ্ধ বাদ্যৰ উৎপত্তি, ভেদ, বাদন বিধি, আৰু ইয়াৰ ১৮ টা জাতি আৰু বাদকৰ লক্ষণৰ বিষয়ে উল্লেখ কৰা আছে।

ইয়াৰ উপৰি ষষ্ঠ অধ্যায়ত ৰসৰ লক্ষণ, সপ্তস্বৰৰ আলমত আঠ বিধ ৰসৰ কথা উল্লেখ আছে। এই কথা তলৰ শ্লোকটোৰ পৰা জানিব পাৰি।

সৰো বীৰেদভুতে ৰৌদ্ৰো
ধা বীভিৎসে ভয়ানকে।
কায়ো গণি তু
কৰুণাহাস্য শৃংগৰয়োমপো।।

অৰ্থাৎ স, ৰে ঃ বীৰ ৰৌদ্ৰ আৰু
অদভুত ৰসৰ পোষক
ধা ঃ বীভৎস আৰু ভয়ানক
ৰসৰ পোষক
গা আৰু নি ঃ কৰুণ ৰসৰ পোষক
ম আৰু প ঃ হাস্য আৰু শৃংগাৰ ৰসৰ পোষক—।

এইখিনিতে উল্লেখ কৰিব পাৰি যে যেনেকৈ স্বৰৰ দ্বাৰা গীতৰ ৰস সৃষ্টি কৰিব পাৰি ঠিক তেনেকৈ নৃত্য আৰু তানৰ দ্বাৰায়ো বিভিন্ন সময়ত প্ৰয়োজন সাপেক্ষে ৰসৰ সৃষ্টি কৰিব পাৰি বুলি ভৰতৰ নাট্যশাস্ত্ৰত উল্লেখ আছে। যেনে— তাণ্ডৱ নৃত্যত বীৰ আৰু ৰৌদ্ৰৰস। লাস্যনৃত্যত বিভিন্ন ভাব ভঙ্গিমাৰ দ্বাৰা শৃংগাৰ, হাস্য, কৰুণ ৰস আদিৰ সৃষ্টি কৰিব পাৰি। গতিকে সংগীত অৰ্থাৎ গীতবাদ্য নৃত্যকলাৰ বিস্তৃত বিৱৰণ থকা এই গ্ৰন্থখনি ভাৰতীয় সংগীত জগতলৈ এক অসীম আৰু অপূৰ্ব অৱদান।

সামবেদক আধাৰগ্ৰন্থ হিচাবে মানি লৈ ভৰতে নাট্যশাস্ত্ৰ ৰচনা কৰিছিল আৰু ইয়াৰ পৰৱৰ্তী কালছোৱাত আন এজন সংগীত শাস্ত্ৰীয়ে সংগীত শাস্ত্ৰৰ যোগেদি অতি বিখ্যাত হৈ পৰিছিল আৰু তেওঁৰ নামেই হ'ল পঃ শাৰংগদেৱ। তেখেতৰ বিৰচিত সংগীত ৰত্নাকৰ নামৰ গ্ৰন্থখনো ভাৰতীয় সংগীতৰ বাবে এক অমূল্য অৱদান। এই গ্ৰন্থৰ বিভিন্ন অধ্যায়ত তেখেতে স্বৰ, ৰাগ, তান, প্ৰবন্ধ, বাদ্য নৃত্য সমন্ধে বিশদভাৱে আলোচনা কৰিছে। প্ৰাচীন স্বৰলিপিৰ উন্নতৰূপ তেখেতৰ গ্ৰন্থত সুস্পষ্ট। এই গ্ৰন্থখনক ভাৰতীয় সংগীতৰ দুয়োটা ধাৰা ক্ৰমে উত্তৰ ভাৰতীয় সংগীত আৰু দক্ষিণ ভাৰতীয় সংগীতৰ আধাৰ বুলি মানি লোৱা হয়। ভাৰতীয় সংগীতৰ বাবে এই গ্ৰন্থ এক অমূল্য সম্পদ।

ইয়াৰ উপৰিও সামবেদ আৰু ভৰতৰ নাট্য শাস্ত্ৰকে মূল হিচাবে লৈ বিভিন্ন সময়ত বিভিন্ন গ্ৰন্থকাৰে সংগীতোপযোগী বিভিন্ন গ্ৰন্থ ৰচনা কৰি থৈ ভাৰতীয় সংগীতৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তাৰ ভিতৰত

(ক) মতংগমুনি বিৰচিত বৃহদ্‌দেশী
(খ) জয়দেৱ বিৰচিত গীত গোবিন্দ
(গ) ৰামামাত্য বিৰচিত স্বৰমেল কলানিধি
(ঘ) অহোবল বিৰচিত সংগীত পাৰিজাত

(ঙ) ব্যংকটমুখী বিৰচিত চতুৰ্দ্দণ্ডীপ্ৰকাশিকা

(চ) হৃদয় নাৰায়ণদেৱ বিৰচিত হৃদয় কৌতুক আৰু হৃদয় প্ৰকাশ আদিয়েই প্ৰধান।

বৰ্তমান যুগৰ সংগীত গ্ৰন্থকাৰসকলৰ ভিতৰত ভাতখান্দে সংগীত পদ্ধতিৰ স্ৰষ্টা পঃ বিষ্ণু নাৰায়ণ ভাতখান্দে জীৰ নাম নল'লে আলোচনাটি আধৰুৱা হৈ ৰ'ব। তেখেতৰ অনুপম সৃষ্টি 'লক্ষ্য সংগীত' আৰু 'অভিনৱ ৰাগ মঞ্জৰী' নামৰ দুখন গ্ৰন্থই ভাৰতীয় সংগীতৰ ভঁৰাল আৰু সমৃদ্ধিশালী কৰি থৈ গৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে জন্মগতভাৱে তেখেত মাৰাঠী হোৱাৰ হেতুকে তেওঁ গ্ৰন্থসমূহ সংস্কৃত ভাষাৰ পৰা মাৰাঠী ভাষালৈ অনুবাদ কৰিছিল। তাৰ পিছত সৰ্বসাধাৰণে পঢ়িব পৰাকৈ হিন্দী ভাষাত অনুবাদিত হয়। যাৰ ফলস্বৰূপে আমি আজি সংগীত সম্বন্ধীয় কিঞ্চিতমান হ'লেও জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছো।

ওপৰৰ আলোচনাৰ পৰা আমি তলৰ সিদ্ধান্তলৈ আহিব পাৰে যে—

(ক) সংগীত বৈদিক যুগৰ সৃষ্টি

(খ) ভাৰতীয় সংস্কৃতিৰ মূল বেদৰ এটা অংশ অৰ্থাৎ সামবেদৰ মন্ত্ৰসমূহ গীত বুলি ধৰা হয়।

(গ) সামবেদকে আধাৰ হিচাবে মানি লৈ ভৰতে নাট্য শাস্ত্ৰ ৰচনা কৰি ভাৰতীয় সংগীতৰ ভেঁটি সুদৃঢ় কৰি থৈ গৈছে। আৰু এই ভেঁটিৰ ওপৰতে বিভিন্ন সময়ত বিভিন্ন গ্ৰন্থকাৰে সংগীতোপযোগী অমূল্য গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। উল্লেখনীয় যে উল্লিখিত আটাইবোৰ গ্ৰন্থই সংস্কৃত ভাষাত লিখা।

(ঘ) বৰ্তমান যুগৰ সংগীত গ্ৰন্থ হিচাবে মানি লোৱা পঃ ভাতখান্দে জীৰ লক্ষ্য সংগীত আৰু অভিনৱ ৰাগমঞ্জৰী— এই দুয়োখন গ্ৰন্থই বৰ্তমান সময়ত সংগীত চৰ্চাৰ বাবে উপযোগী আৰু এই গ্ৰন্থসমূহৰ ওপৰতে ভেঁটি কৰি আমি আজি সংগীত শিক্ষাত ব্ৰতী হৈ আছো।

সামৰণিত ক'ব পাৰি যে উল্লিখিত গ্ৰন্থসমূহ মূল সংস্কৃত ভাষাত লিখা। গতিকে ভাৰতীয় সংগীতৰ বিস্তৰ জ্ঞান লাভৰ বাবে উক্তগ্ৰন্থসমূহ অধ্যয়ন কৰা অত্যন্ত আৱশ্যক যাৰ বাবে সংস্কৃত শিক্ষাৰ অতীব প্ৰয়োজন।

লগতে ইয়াকো দোহাৰিব পাৰি যে বেদ আমাৰ প্ৰাচীন গ্ৰন্থ আৰু ইয়াতেই ভাৰতীয় ভাষা, সংস্কৃতি, সংগীত আদি নিহিত হৈ আছে। আমাৰ এই সংস্কৃতিৰ

সম্পূৰ্ণ জ্ঞান আহৰণ সংস্কৃত ভাষা শিক্ষাৰ জৰিয়তেহে সম্ভৱ।

শেষত ইয়াকো ক'ব পাৰি যে যিসকলে সংগীত বিষয়টো মুখ্য বিষয় হিচাবে লৈ স্নাতকোত্তৰ অথবা তাতকৈ ওপৰ খাপৰ সংগীত বিষয়ক শিক্ষা লাভৰ বাবে আগ্ৰাহান্বিত তেখেতসকলৰ বাবে সংস্কৃত শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰাৰ কোনো প্ৰয়োজন নাই।

গতিকেই আকৌ দোহাৰিছো — যে বৰ্তমান যুগত সংস্কৃত শিক্ষাৰ প্ৰাসংগিকতা আছে। সেয়ে কামনা কৰিছো সকলোৱে সংস্কৃত পঢ়ক, সংস্কৃত গ্ৰন্থসমূহ অধ্যয়ন কৰি সাৰমৰ্ম গোটাই লৈ জ্ঞানৰ ভাণ্ডাৰ সমৃদ্ধিশালী কৰি তোলক।

জয়তু সংস্কৃতম্

সহায়ক গ্ৰন্থ ঃ

(১) সংগীত বিশাৰদ বসন্ত
(২) প্ৰাচীন অৰ্বাচীন অদিতি বৰুৱা, প্ৰবক্তা সংস্কৃত বিভাগ
(৩) সংগীত সাগৰ প্ৰভুলাল গাৰ্গ
(৪) সংগীত সম্পাদীয় বিভিন্ন আলোচনী।❑

বৈদিক যুগীয় সমাজত নাৰী ঃ
যৎকিঞ্চিত অৱলোকন

মধুমিতা গোস্বামী বৰঠাকুৰ
বিভাগীয় মুৰব্বী, সংস্কৃত বিভাগ
ডিব্ৰু কলেজ

বেদেই হ'ল বিশ্ব সাহিত্যৰ প্ৰথম ৰচনা। ভাৰতবৰ্ষৰ সভ্যতা সংস্কৃতি সকলোবিলাক বেদৰ পৰাই উদ্ভৱ হৈছে। বৈদিক সাহিত্যত অৱলোকন কৰিলে এই কথা প্ৰতীয়মান হয় যে সেই সময়ত সমাজত নাৰীয়ে মহত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। মনুস্মৃতিৰ মতে য'ত নাৰীক সন্মান দিয়া হয়, সেই স্থানত দেৱতাই বসবাস কৰে। সকলো প্ৰকাৰৰ গাৰ্হস্থ্য জীৱনৰ পূৰ্ণতা স্ত্ৰীৰ ওপৰতে নিৰ্ভৰ কৰে।

যত্র নাৰ্যস্তু পূজ্যন্তে ৰমন্তে তত্র দেৱতাঃ

যত্রৈতাস্তুন পূজ্যন্তে, সৰ্বাস্তত্ৰাফলাঃ ক্ৰিয়াঃ। মনু ৩/৫৬ এখন ৰাষ্ট্ৰৰ সৰ্বাংগীন বিকাশতো নাৰীৰ মহত্বপূৰ্ণ ভূমিকা থকাটো পৰিলক্ষিত হয়। বৈদিক যুগৰ সমাজব্যৱস্থা পিতৃসতাত্মা আছিল যদিও নাৰীসকলৰ স্থান উন্নত আৰু সন্মানজনক আছিল। নাৰীয়ে শিক্ষা, ধৰ্ম, বিবাহ বা অন্য সামাজিক কাৰ্য্য তথা ৰাজনীতিতো স্বতন্ত্ৰতা প্ৰাপ্ত কৰিছিল।

নাৰীক দয়া, সমতা, উদাৰতা আৰু ত্যাগৰ প্ৰতিমূৰ্ত্তি বুলি কোৱা হয়। নাৰীৰ এই উজ্জ্বল গুণবিলাকৰ দিগদৰ্শন বৈদিক বাঙ্ময়তে উপলব্ধ হয়। 'স্ত্ৰী হি ব্ৰহ্মা বভুবিথ' (ঋক্ ৮.৩৩.১৯) অৰ্থাৎ 'স্ত্ৰীয়েই হ'ল ব্ৰহ্মা আদি উক্তিৰপৰা এই কথা স্পষ্ট হয় যে স্ত্ৰী ব্ৰহ্মাৰ সমান মানৱৰ জন্মদাত্ৰী আৰু জীৱন নিৰ্মাত্ৰী। সমপূৰ্ণ মানৱ সৃষ্টি পুৰুষ আৰু নাৰীত বিভক্ত। দুয়ো পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। পুৰুষ আৰু নাৰী সমাজ ৰূপ আৰু ৰাষ্ট্ৰ ৰূপ ৰথৰ দুটা চকৰী। এই দুয়ো চক্ৰই সমাজত কেতিয়াবা নৰ-নাৰী, ক'ৰবাত ভাই-ভনী, ক'ৰবাত পতি-পত্নী আদি বিভিন্ন ৰূপত নিজৰ নিজৰ কৰ্ত্তব্য কৰি থকা দৃষ্টিগোচৰ হয়।

বৈদিক যুগৰ নাৰীৰ সামাজিক স্থিতিৰ ওপৰত আলোকপাত কৰিবলৈ যাওঁতে সেই সময়ৰ সমাজ ব্যৱস্থাত এগৰাকী নাৰীয়ে কন্যা হিচাবে, পত্নী হিচাবে আৰু মাতৃ হিচাবে কেনেধৰণৰ মৰ্য্যদা লাভ কৰিছিল এই লিখনিত তাৰেই সামান্য আভাস দিবলৈ যত্ন কৰা হৈছে।

যদিও বৈদিক যুগত পুত্ৰ সন্তান কামনা কৰা হৈছিল তথাপি কন্যা সন্তানো অনভিপ্ৰেত নাছিল। বৰঞ্চ কন্যা সন্তানক শুভ তথা বিশেষ শক্তিৰ প্ৰতীক বুলি ধৰা হৈছিল, 'মম পুত্ৰাঃ শত্ৰুহণোऽথো মে দুহিতা বিৰাট্' (ঋগ্বেদ ১০,৪৩) এই মন্ত্ৰৰদ্বাৰাই কন্যা সন্তানৰ মহনীয় মহত্বৰ পৰিচয় পোৱা যায়। বৃহদাৰন্যক উপনিষদত কন্যা সন্তানৰ কামনা কৰা সকলৰ কাৰণে বিশেষ বিধানৰ উল্লেখ আছে। 'অথ য ইচ্ছেদ্ দুহিতা, পণ্ডিতাজায়েত' এই বাক্যৰ পৰা এই কথা জানিব পাৰি যে সেই সময়ৰ মানুহে সুন্দৰ আৰু বিদুষী কন্যাও কামনা কৰিছিল। বৰাহৰ গৃহ্যসূত্ৰত উল্লেখ থকা মতে সুন্দৰী কন্যা কামনা কৰা বোৱাৰী সকলে গোমুখ নামৰ এবিধ বিশেষ বাদ্য বাদন কৰিছিল। সেইসময়ত কন্যা আৰু পুত্ৰ সন্তানৰ লালন পালনত কোনো ভেদ নাছিল। শিক্ষাৰ আৰম্ভও উপনয়ন সংস্কাৰৰ দ্বাৰা কৰা হৈছিল আৰু এই উপন্নয়ন সংস্কাৰ পুত্ৰ আৰু পুত্ৰী দুয়োৰে কৰা হৈছিল। বালকৰ দৰেই বালিকাসকলৰো 'পৰা' আৰু 'অপৰা' দুয়ো প্ৰকাৰৰ বিদ্যা গ্ৰহণ কৰাৰ অধিকাৰ আছিল। বেদত এই কথা কোৱা হৈছে যে ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰি শিক্ষা সমাপ্ত কৰাৰ পিচতহে যুৱতীসকলে যোগ্য বৰ প্ৰাপ্ত কৰে। (ব্ৰহ্মচৰ্য্যন কন্যা যুবানং বিন্দতে পতিম)। বৈদিক যুগৰ এই কাৰ্য্যই পাৰিবাৰিক জীৱন সুচাৰুৰূপে চলাই নিবলৈও যে নাৰীসকল শিক্ষিতা হোৱাটো অত্যন্ত প্ৰয়োজনীয় এই কথাতেই নিৰ্দেশ দিয়ে। বৰ্ত্তমান সময়তো বৈদিক যুগৰ এই ব্যৱস্থাৰ প্ৰাসংগিকতা দেখা যায়। গৃহ্যসূত্ৰত কোৱা হৈছে যে অশিক্ষিত পত্নী যজ্ঞ কাৰ্য্যৰ কাৰণে সমৰ্থ নহয়। এনেদৰে বৈদিক সাহিত্যত স্ত্ৰী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। বৈদিক সাহিত্যত অনেক ব্ৰহ্মবাদিনী নাৰীৰ উল্লেখ পোৱা যায়। ঋক্‌বৈদিক যুগত নাৰীক তেওঁলোকৰ আচৰণৰ ওপৰত নিয়ন্ত্ৰন ৰাখি বিদুষী আৰু পূণ্যৱতী হ'বলৈ শিক্ষা দিয়াৰ কথা পোৱা যায়। ঋগ্বেদ আৰু সামবেদৰ অনেক সূক্তত বিভিন্ন ঋষিকাৰ উল্লেখ আছে যেনে— লোপামুদ্ৰা, ৰোমাশা, অপালা, বিশ্ববাৰা, গাৰ্গী ইত্যাদি।

সেইসময়ৰ কন্যা সকলক নৃত্য আৰু কণ্ঠসঙ্গীত আৰু যন্ত্ৰসঙ্গীত এই দুই প্ৰকাৰৰ সঙ্গীতেই শিকোৱা হৈছিল যদিও আৰু নৃত্য, গীত পুৰুষ আৰু মহিলা উভয়েই কৰিছিল যদিও বৈদিক যুগত ইয়াক কেৱল নাৰীৰ উপযোগী সুকুমাৰ

কলা বুলিহে গন্য কৰা হৈছিল। নৃত্য গীত নাৰীৰ উপযোগী বুলি বাৰে বাৰে কোৰা হৈছে। নৃত্যং গীতং স্ত্ৰীনাঃ কৰ্মা (শতগথ ব্ৰাহ্মন ৩-২-৪) বৃহদাৰন্যক উপনিষদৰ ৩-৬ আৰু ৩-৪ খণ্ডত গাৰ্গী আৰু যাজ্ঞবল্ক্যৰ মাজত হোৱা শাস্ত্ৰ বিষয়ক দুটা। বিখ্যাত বিতৰ্কৰ উল্লেখ আছে। তৰ্ক যুদ্ধত কোনেও পৰাস্ত কৰিব নোৱাৰা যাজ্ঞবল্ক্যইও গাৰ্গীক তৰ্কত পৰাস্ত কৰিব পৰা নাছিল। ইয়েই সেই যুগৰ নাৰীৰ গভীৰ জ্ঞানৰ পৰিচয় দিয়ে।

যদিও বৈদিক যুগত বিবাহ সকলো কন্যাৰ কাৰণে প্ৰয়োজনীয় আছিল তথাপি তেওঁলোকক কেতিয়াও পিতৃ মাতৃৰ বোজা হিচাবে গন্য কৰা নহৈছিল। সেই সময়ত এনেকুৱা কন্যা থকাৰো বহু উদাহৰণ আছে যিসকলে পিতৃ গৃহতেই বৃদ্ধত্ব প্ৰাপ্তি কৰিছিল। এইটোৱে ইয়াকে সূচায় যে তেওঁলোকে ইচ্ছা কৰিলে অবিবাহিতাৰ জীৱনো কটাব পাৰে অথবা নিজৰ পচন্দৰ পাত্ৰ বিচাৰি ল'ব পাৰে।

মেক্‌ডনেলে কৈছিল যে "Marriage in the Rgvedic times, was a union of the two persons fully developed" আমি ঋগ্‌বৈদিক যুগত কোনো ধৰণৰ বাল্যবিবাহৰ কথা গম নাপাওঁ।

সেই সময়ত আৰ্যসকলে বিবাহক অতি পৱিত্ৰ আৰু প্ৰয়োজনীয় কৰ্ত্তব্য হিচাবে বিবেচনা কৰিছিল। এখন হৃদয়ৰে সৈতে অইন এখন হৃদয়ৰ শ্ৰুতিসন্মত অনুষ্ঠানৰ দ্বাৰা সম্পাদিত পৱিত্ৰ বন্ধন আছিল এই বিবাহ কৰ্ম। ঋক্ সংহিতাৰ বিবাহ মন্ত্ৰবিলাক পাঠ কৰিলে বিবাহ বন্ধনৰ গভীৰতা অনায়াসে হৃদয়ঙ্গম কৰিব পাৰি। বৰ্ত্তমানৰ যুৱক-যুৱতীসকলৰ মাজত সততে হোৱা যি থুনুকা প্ৰেম আৰু তাৰ পৰৱৰ্ত্তী সময়ৰ অসামাজিক বিবাহ বিলাক ৰোধ কৰি এখন সুস্থ সমাজ ৰচনা কৰিবলৈ বৈদিক যুগৰ বিবাহ অনুষ্ঠান বিলাকৰ গভীৰতা আৰু মহত্বতাৰ বিষয়ে জনাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে।

বৈদিক বাঙ্ময়ৰ পৰা আমি এই কথা পৰিস্কাৰকৈ জানিব পাৰো যে সেই যুগত স্ত্ৰীসকলকেই এখন ঘৰৰ সৌভাগ্য বা সৌন্দৰ্য্য হিচাবে বিবেচনা কৰা হৈছিল বেদৰ মাত গৃহা ৱৈত্নে প্ৰতিষ্ঠা' অৰ্থাৎ বেদৰ মতে পত্নীয়েই হ'ল ঘৰ। যিজন ব্যক্তিয়ে উন্নতি আৰু সৌভাগ্য কামনা কৰে তেওঁ সদায় স্ত্ৰীৰ সৎকাৰ কৰিব লাগে আৰু তেওঁক বস্ত্ৰালঙ্কাৰ আদিৰে বিভূষিতা কৰি ৰাখিব লাগে। শতপথ ব্ৰাহ্মনত কোৱা হৈছে যে পত্নী হ'ল পুৰুষৰ আত্মাৰ অৰ্ধভাগ। পাৰিবাৰিক জীৱনৰ প্ৰসংগত স্ত্ৰীক গৃহিনী, জননী আৰু সহচৰী হিচাবে দেখুওৱা হৈছে। ঋগ্‌বেদৰ সূৰ্য্যা সূক্তত স্ত্ৰীৰ গৃহিনী স্বৰূপটো সম্যকৰূপে বিচাৰ কৰা হৈছে। পৰিয়ালৰ স্ত্ৰীৰ

অৱস্থিতিৰ বিষয়ে ঋক্‌বেদৰ এটা মন্ত্ৰত ইয়াকো কোৱা হৈছে যে নৱবিবাহিতা এগৰাকী বোৱাৰীক তেওঁৰ পৰিয়ালৰ সদস্যই নিজৰ ঘৰত প্ৰৱেশ কৰিবলৈ আৰু সকলোৰে ওপৰত শাসন কৰিবলৈ আমন্ত্ৰন জনায়।

।। গৃহাগচ্ছ গৃহপত্নী যথশো বশিনী ত্বং বিদথ মা বদসি।।

বৈদিক সংহিতাত পত্নীক 'সম্ৰাজ্ঞী স্বশুৰে ভৱ, সম্ৰাজ্ঞী স্বশ্ৰাং ভৱ (ঋগ্ ১০-৮৫-৪৬) বুলি কৈ তেওঁক গৃহৰ সম্ৰাজ্ঞী, কল্যানী, শিৱতমা আৰু বীৰসু বুলি কৈ বীৰ সন্তান জন্ম দিওঁতা বুলি কোৱা হৈছে। 'মহী মাতা' (ঋক্ ৫.৪৭) ৰূপেৰে নাৰীক বেদত সৰ্বাধিক উচ্চ স্থান দিয়া হৈছে। সেই সময়ত সমাজ ব্যৱস্থাত পতিয়ে কেতিয়াও পত্নীৰ ওপৰত অবাঞ্চিত প্ৰভাৱ বিস্তাৰ নকৰিছিল, বৰং জীৱন সঙ্গীনী হিচাবে তেওঁক অন্তৰেৰে সৈতে মৰম কৰিছিল, ভাল পাইছিল। 'সহধৰ্মিনী' শব্দটোৱে পত্নীত সাৰ্থক ৰূপ পাইছিল। পাৰিবাৰিক জীৱনৰ প্ৰসংগত স্ত্ৰীৰ ভূমিকাৰ বিষয়ে ক'বলৈ গৈ বেদত কৈছে 'জায়া ইত অস্তম' অৰ্থাৎ জায়াই হ'ল ঘৰ। ইয়াৰ দ্বাৰাই প্ৰেৰিত হৈ মনুৱেও কৈছে— 'গৃহিনী গৃহম্ উচ্যতে।' সমস্ত বৈদিক সাহিত্যত নাৰীৰ বিভিন্ন ৰূপৰ অৱতাৰনা কৰা হৈছে। জীৱনৰ জ্যোতি, শক্তি আৰু প্ৰেৰনাৰ উৎস এগৰাকী নাৰীয়ে নিজৰ স্বভাৱজাত সহজ গুণৰাজিৰে পুৰুষৰ সমগ্ৰ চেতনা প্ৰদীপ্ত কৰি তোলে। বৈদিক সাহিত্যত উপলব্ধ পত্নী শব্দৰ প্ৰতিশব্দ হিচাবে ব্যৱহৃত জায়া, জামি আৰু পত্নী শব্দইও নাৰী গৰাকীৰ বৈৱাহিক জীৱনৰ বিভিন্ন ধৰণৰ স্থিতিকেই সূচায়। 'জায়া' শব্দই স্বামীৰ ভালপোৱাৰ বিশেষ গৰাকী হোৱা বুজায়। 'জামি' শব্দৰ অৰ্থ হ'ল সন্তানৰ মাতৃ আৰু 'পত্নী' মানে হ'ল যজ্ঞ কৰ্মৰ সহচৰী। 'দম্পতি' শব্দৰ ব্যৱহাৰে এই কথাকে সূচায় যে পতি আৰু পত্নী দুয়োজনেই হ'ল সমাজৰ একোটা গুৰুত্বপূৰ্ণ অঙ্গ। তেওঁলোকৰ মানসিকতাও একেডাল সূতাৰে বন্ধা। সেই সময়ৰ সমাজত গাৰ্হস্থ্য জীৱন আছিল সুখ শান্তিময় আৰু গাৰ্হস্থ্য আৰু আধ্যাত্মিক উভয় কৰ্মতে পৰস্পৰে পৰস্পৰক সহায় কৰিছিল। এনেবিলাক কাৰ্য্যই সেই সময়ৰ সুস্থ পাৰিবাৰিক জীৱনৰ ইংগিত বহন কৰে।

বৈদিক যুগত নাৰী এগৰাকী মাতৃৰূপে অত্যন্ত পূজনীয়া আছিল। 'মাতা', 'অম্বা' আৰু 'অম্বিকা' শব্দৰ মাজত যি মহিমা অন্তৰ্নিহিত হৈ আছে সেইয়া পূজনীয় আৰু সেই মাতৃমহিমাৰ ব্যাখ্যা বেদত এই শব্দবিলাকৰ দ্বাৰা কৰা হৈছে। জনন, উদ্ভৱ, প্ৰভৱ, অভিব্যক্তি আদি শব্দৰ এই শক্তিৰ লগত ওতঃপ্ৰোত সম্বন্ধ।

যাজ্ঞবল্ক্যই কৈছে— স্ত্ৰীসকল হ'ল পৃথিৱীৰ সকলো দৈৱিক গুণৰ প্ৰতীক। সোমদেৱতাই নিজৰ সমস্ত পৱিত্ৰতা তেওঁতেই আৰোপ কৰিছে। সেইদৰে গান্ধৰ্ব

দেৱতাই মৃদুবানী আৰু অগ্নিয়ে তেওঁক অত্যন্ত আকৰ্ষণীয় কৰি তুলিবৰ কাৰণে তেওঁৰ সকলো দীপ্ততা নাৰীক প্ৰদান কৰিছে। পৃথিৱী, অদিতি, সোম আদিৰ স্নেহৰ কাৰণেই 'মাতা' এই উপমা প্ৰাপ্ত হৈছে।

কোনো এটা যুগৰ সাহিত্যই হ'ল সেই যুগৰ দাপোন স্বৰূপ। বৈদিক কালীন সাহিত্য অধ্যয়ন কৰিলে এই কথা জানিব পাৰি যে ভাৰতীয় সমাজত বৈদিক যুগৰ পৰাই নাৰীয়ে গৌৰৱপূৰ্ণ স্থান দখল কৰি আহিছে। সেই যুগৰ নাৰীক সম্পূৰ্ণ মানৱ সৃষ্টিৰ জননী, আদ্যাশক্তি তথা মাতৃশক্তিৰ ৰূপত সন্মান জনোৱা হৈছিল আৰু অনন্ত শক্তিৰ স্ৰোত বুলি ধৰা হৈছিল। মানৱতাৰ বিকাশত নাৰীৰ মহত্ত্বতাৰ কথা বিশ্বৰ মনিষীসকলে মুক্তকণ্ঠে স্বীকাৰ কৰি আহিছে। নাৰীয়ে সৃষ্টিৰ সাধন ৰূপে আৰু প্ৰকৃতিত মূৰ্ত্ত ৰূপ হৈ পুৰুষৰ কাৰণে সৌন্দৰ্য্য, প্ৰেম আৰু আনন্দৰ কাৰক হয়। সেইকাৰণেই তেওঁলোক আৰাধ্যা আৰু পূজনীয়া। নাৰীৰ 'নাৰীত্ব' বৈদিক স্বৰূপতহে প্ৰকৃতাৰ্থত নিহিত হৈ আছে। গতিকে 'নাৰীৰ কল্যান মানেই হ'ল সকলোৰে কল্যান'— এইয়াই হ'ল বেদৰ মূলমন্ত্ৰ। এই মূলমন্ত্ৰক সাৰোগত কৰি, প্ৰাচীন ঐতিহ্যৰ প্ৰতি সন্মান জনাই আধুনিক মনুষ্যই নাৰীৰ প্ৰতি যথাযথ সন্মান প্ৰদৰ্শন কৰিলে নিশ্চয় ভাৰতবৰ্ষৰ প্ৰতিটো পৰিয়ালতে শান্তিৰ গংগা প্ৰৱাহিত হ'ব। তেতিয়াহে আমি এখন সুন্দৰ সমাজৰ, সুন্দৰ ভাৰতবৰ্ষৰ কল্পনা বাস্তৱায়িত কৰিব পাৰিম।□

মনুসংহিতাত ৰজা আৰু ৰাজধৰ্ম

অদিতি বৰুৱা
প্ৰবক্তা, সংস্কৃত বিভাগ

ভাৰতীয় দৰ্শন আৰু ধৰ্মশাস্ত্ৰৰ মতে মনুৰেই পৃথিৱীৰ সকলো সভ্যতাৰ প্ৰৱৰ্তক আৰু মনুসংহিতা সকলো বেদৰ সাৰস্বৰূপ।

'যৎ কিঞ্চিদ্ মনুৰবদৎ তদ্‌ভেষজং'

এই বাক্য শাৰীয়ে মনুসংহিতাৰ প্ৰাধান্যৰেই সূচনা কৰে।

মনু সংহিতাত মুঠতে বাৰটা অধ্যায় আছে। এই অধ্যায় সমূহত সৃষ্টি তত্ব, ধৰ্মাচৰণ, ধৰ্ম সংস্কাৰ, ধৰ্ম প্ৰকৰণ, ধৰ্মানুশাসন, আচৰিতব্য বিষয়, ৰাজধৰ্ম, ৰাষ্ট্ৰনীতি, সমাজ নীতি; স্ত্ৰী-পুৰুষৰ ধৰ্ম আদি বিভিন্ন বিষয় মনুৱে নিজস্ব দৃষ্টিভংগীৰে উপস্থাপন কৰিছে। এই আলোচনাত মনু সংহিতাৰ সপ্তম অধ্যায়ত উপলব্ধ ৰজা আৰু ৰাজধৰ্মৰ ওপৰত সামৰ্থ্যানুসৰি যৎকিঞ্চিত আলোকপাত কৰিবলৈ বিচৰা হৈছে।

'ৰাজা প্ৰকৃতি ৰঞ্জনাত্' অৰ্থাৎ প্ৰকৃতি বা প্ৰজাক আনন্দদান কৰিব পৰাজনেই ৰজা। ৰজা আৰু ৰাজধৰ্ম সম্পৰ্কে মহাভাৰত, ৰামায়ণ, গীতা, পুৰাণ, সংহিতা, কৌটিল্যৰ অৰ্থশাস্ত্ৰ আদিত আলোচিত হৈ আহিছে। তথাপিও ৰাজনীতিবিজ্ঞান বিশাৰদসকলে মানৱ শাস্ত্ৰ বা মনুসংহিতাক ৰাজনীতি বিজ্ঞানৰ প্ৰাৰম্ভিক গ্ৰন্থ বুলি মানে।

মনুসংহিতাত ৰজাক মানুহৰ ৰূপত দেৱতাৰ শাৰীলৈ উত্তীৰ্ণ কৰিছে 'মহতী দেৱতা হ্যেষা নৰৰূপেন তিষ্ঠতি' (শ্লোক ৮)। দেশ আৰু কালৰ সম্যক পৰ্যালোচনাৰ দ্বাৰা তেওঁ শত্ৰু বা মিত্ৰৰ ক্ষেত্ৰত বিভিন্ন ৰূপ ধাৰণ কৰিব পাৰে। এক কথাত ক'বলৈ গ'লে শিষ্টৰ প্ৰতিপালন আৰু দুষ্টৰ দমনেই ৰজাৰ প্ৰধান কাৰ্য। দেশ, কাল, উচিত, অনুচিত আদিৰ পৰ্যবেক্ষণ কৰি ৰজাই প্ৰজা পালন কৰে আৰু সেই কাৰ্য সুকলমে চলাবৰ বাবে প্ৰয়োজন অনুসৰি দণ্ডও বিহিবলগীয়া হয়। মনুৰ দৃষ্টিত সেয়ে দণ্ডই ৰজা, পুৰুষ, নেতা আৰু শাসনকৰ্তা—'স ৰাজা পুৰুষো দণ্ডঃ

স নেতা শাসিতা চ সঃ' (শ্লো.১৭)। যিহেতু দণ্ডৰ দ্বাৰাই ৰজাই প্ৰজাক শাসন কৰে, ৰক্ষণাবেক্ষণ দিয়ে, সেইবাবে দণ্ডকেই ৰাজ ধৰ্মৰ মূল বুলি মনুৱে মত প্ৰকাশ কৰিছে। কিয়নো ৰজাই দণ্ডনীয়ৰ প্ৰতি দণ্ড বিধান নকৰিলে সমাজত, দেশত বিশৃংখলাৰ সৃষ্টি হয়। সংসাৰত বিশুদ্ধ স্বভাৱৰ লোক অতি বিৰল। কেৱল দণ্ডৰ ভয়তহে মানুহ বিপথগামী নহয়, ন্যায় পথগামী হয়—'দণ্ডস্য হি ভয়াত্ সৰ্বং জগদ্ভোগায় কল্পতে' (শ্লো. ২২)। মনুসংহিতাৰ মতে সত্যবাদী, বিবেচনাশীল, প্ৰজ্ঞাশীল, ধৰ্মৰ বিশেষজ্ঞজনেই দণ্ডপ্ৰণয়ৰ বাবে উপযুক্ত ৰজা। ৰজাই উপযুক্ত ৰূপে দণ্ড বিধান কৰিলে ধৰ্ম, অৰ্থ আৰু কাম এই ত্ৰিবৰ্গৰ দ্বাৰা বৃদ্ধিপ্ৰাপ্ত হয় বুলিও মনুৱে মত প্ৰকাশ কৰিছে। অন্যথা স্বকৃতদণ্ডৰ দ্বাৰা ৰজা নিজেই নিহত হয়।

'তস্যাহুঃ সম্প্ৰণেতাৰং ৰাজানং সত্যাবাদিনম্।
সমীক্ষাকাৰিণং প্ৰাজ্ঞং ধৰ্ম কামাৰ্থকোবিদম্।।'
'তং ৰাজা প্ৰণয়ন সম্যক ত্ৰিবৰ্গেনাভিবৰ্দ্ধতে।
কামাত্মা বিষমঃ ক্ষুদ্ৰো দণ্ডেনৈৱ নিহন্যতে।' (শ্লো. ২৭)

পবিত্ৰ, সত্যপ্ৰতিজ্ঞ, বেদাদিশাস্ত্ৰৰ উপযুক্ত ব্যৱহাৰ কৰোঁতা, সুবুদ্ধি সন্মত আৰু উপযুক্ত জ্ঞানী অমাত্যৰ সহায়তহে ৰজাই যথানিয়মে দণ্ডবিধান কৰি ৰাজ্য শাসন কৰিব পাৰে। যিজন ৰজাই এনেদৰে ৰাজ্য শাসন কৰে, তেওঁৰ যশস্যা পানীত থকা তেলৰ বিন্দুৰ দৰে (তৈল বিন্দুৰিবাম্ভসি) বিয়পি পৰে আৰু তাৰ অন্যথা কৰোঁতা ৰজাৰ যশ পানীত থকা ঘৃতবিন্দুৰ দৰে (ঘৃতবিন্দুৰিবাম্ভসি) সঙ্কুচিত হয়। প্ৰজাপতিয়ে ৰজাক চাৰিবৰ্ণ আৰু চাৰি আশ্ৰমৰ ৰক্ষাৰ বাবেই সৃষ্টি কৰিছে আৰু সেই বাবেই তেওঁলোকৰ ৰক্ষণাবেক্ষণৰ দায়িত্বও সম্পূৰ্ণৰূপে ৰজাৰ বুলি মনুৱে তেওঁৰ গ্ৰন্থত উল্লেখ কৰিছে।

প্ৰাতঃকালত শয্যা ত্যাগ কৰাৰ পাছত ত্ৰয়ীৰ (ঋক, যজু আৰু সাম) মৰ্মাভিজ্ঞ আৰু নীতিশাস্ত্ৰজ্ঞ ব্ৰাহ্মণৰ সেৱা কৰা আৰু তেওঁলোকৰ আদেশ পালন কৰা ৰজাৰ কৰ্তব্য। বিনীত হোৱা আৰু বিনয় শিক্ষা গ্ৰহণ কৰাও তেওঁৰ অন্য এটি কৰ্তব্য। কাৰণ বিনয়হীনতাৰ দোষত নহুষ আদি ৰজাৰ বিনাশ হোৱাৰ উদাহৰণ সুলভ। ৰজাই ত্ৰিবেদজ্ঞ ব্ৰাহ্মণৰ পৰা ত্ৰয়ীৰ, অৰ্থশাস্ত্ৰজ্ঞৰ পৰা আয় ব্যয় স্থিতিবোধক দণ্ডনীতি, তাৰ্কিক আৰু বৈদান্তিকৰ পৰা তৰ্কশাস্ত্ৰ আৰু ব্ৰহ্মবিদ্যা আৰু কৃষক, বণিক আদিৰ পৰা অৰ্থোপাৰ্জনৰ উপায় সমূহৰ শিক্ষা গ্ৰহণ কৰা উচিত। কাৰণ জিতেন্দ্ৰিয় ৰজাইহে প্ৰজাক বশ কৰি ৰাখিব পাৰে 'জিতেন্দ্ৰিয়ো হি শক্নোতি বশো

স্থাপয়িতুং প্ৰজাঃ (শ্লো.৪৪)।

পণ্ডিতসকলে লোভক উভয় প্ৰকাৰৰ ব্যসনৰ মূল বুলি মানে। সেই বাবে সৰ্বপ্ৰথমে লোভ জয় কৰাহে ৰজাৰ প্ৰথম কৰ্তব্য। প্ৰকৃততে ৰাজ্য শাসনৰ দৰে মহৎ কাৰ্য এজন ব্যক্তিৰ দ্বাৰা সুচাৰুৰূপে সম্পন্ন কৰাটো কঠিন। সেই বাবে ৰজাই তেওঁৰ ধাৰ্মিক, বিদ্বান আৰু বিশ্বস্ত মন্ত্ৰীৰ সৈতে ৰাজ্য সম্পৰ্কীয় সকলো কথা অৰ্থাৎ সন্ধি, বিগ্ৰহ, যান, আসন, দ্বৈধ আৰু আশ্ৰয় আদিৰ কথা বিশদভাৱে আলোচনা কৰা প্ৰয়োজন বুলি মনুসংহিতাৰ মত। অমাত্যৰ উপৰিও ৰাজকাৰ্য পৰিচালনাৰ বাবে এলাহবিহীন, কৰ্মকুশল, সুচতুৰ আৰু বিচক্ষণ লোকৰ প্ৰয়োজন। ৰজাৰ সঠিক নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ বিষয়। কাৰণ এজন সুচতুৰ দূতৰ ওপৰতেই দুখন ৰাজ্যৰ মাজৰ সন্ধি অথবা বিগ্ৰহ নিৰূপিত হয়। 'দূত এব হি সন্ধত্তে ভিনত্ত্যেব চ সংহতান্' (শ্লো. ৬৬)।

তদুপৰি প্ৰতিজন ৰজাৰেই দুৰ্গ থকা আৱশ্যক। ছয় প্ৰকাৰৰ দুৰ্গ যেনে— মৰুভূমি বেষ্টিত দুৰ্গ, শিল বা জলবেষ্টিত দুৰ্গ, বাৰ্ক্ষদুৰ্গ অৰ্থাৎ ডাঙৰ গছ, লতা, গ্ৰন্থ আদিৰে পৰিবেষ্টিত দুৰ্গ, নৃদুৰ্গ বা চাৰিওদিশে হাতী ঘোঁৰা আৰু যোদ্ধাৰে পৰিবেষ্টিত দুৰ্গ আৰু গিৰিদুৰ্গৰ ভিতৰত গিৰিদুৰ্গই ৰজাৰ আশ্ৰয়ৰ বাবে নিৰাপদ। সকলো সা-সুবিধাৰে পৰিপূৰ্ণ এই দুৰ্গত ৰজাই তেওঁৰ পত্নীৰ সৈতে বাস কৰে। তদুপৰি ইয়াতে ৰজাই বেদোক্ত ধৰ্মকাৰ্য, যজ্ঞানুষ্ঠান আদি সমাপন কৰা উচিত। উপযুক্ত কৰ্মচাৰীৰ দ্বাৰা সাংবাৎসৰিক কৰ আদায় কৰি প্ৰজাক সন্তানবৎ জ্ঞানেৰে লালন-পালন কৰাও ৰজাৰ আন এক কৰ্তব্য। বেদ অধ্যয়নকাৰী আৰু বেদাঙ্গত পাৰদৰ্শী ব্ৰাহ্মণক দান দক্ষিণাদি কৰাটো ৰাজধৰ্মৰেই অঙ্গীভূত।

যুদ্ধ ক্ষত্ৰিয়ৰ প্ৰধান ধৰ্ম। সেইবাবে অন্য কোনো ৰজাৰ দ্বাৰা যুদ্ধৰ বাবে আহুত হ'লে ৰজা পৰাঙ্মুখ হোৱাটো অনুচিত—'ন নিবৰ্তেত সংগ্ৰামাৎ ক্ষাত্ৰং ধৰ্মমনুস্মৰণ্ (শ্লো. ৮৭)।

এনেদৰে দেখা যায় যে যুদ্ধত বিমুখ নোহোৱা, প্ৰজা পালন কৰা, আৰু ব্ৰাহ্মণৰ সেৱা কৰা আদি ৰাজধৰ্মৰ বিষয়ীভূত।

যুদ্ধক্ষেত্ৰতো ৰজাই কিছুমান বিশেষ নিয়ম পালন কৰা উচিত। যেনে— কূটাস্ত্ৰৰ দ্বাৰা শত্ৰুক আঘাত নকৰা, স্বয়ং ৰথত থাকি ভূমিস্থ শত্ৰুৰ লগত যুদ্ধ নকৰা, নপুংসক আৰু আত্মসমৰ্পণকাৰীক আঘাত নকৰা, নিদ্ৰাৰত, যুদ্ধ নিবৃত্ত, উলঙ্গ, নিৰস্ত্ৰ আৰু যুদ্ধবিমুখ ব্যক্তিক বধ নকৰা আদি। আকৌ যুদ্ধত বিজয়ী হোৱাৰ পাছত লাভ কৰা সম্পত্তিৰ বৰ্ধিত অংশ সৎপাত্ৰত দান কৰাও ৰজাৰ আন

এক কৰ্তব্য।

অনধিকৃত ভূমি ৰত্নাদি লাভ কৰিবলৈ চেষ্টা কৰা, অধিকৃত বস্তু যত্নপূৰ্বক ৰক্ষা কৰা, সুৰক্ষিত বস্তুৰ বৃদ্ধিৰ বাবে যত্নপৰ হোৱা আৰু বৰ্ধিত সম্পদ সৎপাত্ৰত দান কৰা ৰজাৰ কৰ্তব্যৰ অন্তৰ্গত।

'অলব্ধঞ্চৈৱ লিপ্সেত লব্ধং ৰক্ষেৎপ্ৰযত্নতঃ।

ৰক্ষিতং বৰ্ধয়েচ্চৈব বৃদ্ধং পাত্ৰেষু নিক্ষিপেত্। (শ্লো. ৯৯)

তদুপৰি ৰজাৰ সৈন্যসকলক সুৰক্ষা প্ৰদান কৰা, পুৰুষত্ব প্ৰদৰ্শন কৰা, মন্ত্ৰণা আৰু চৰৰ দ্বাৰা শত্ৰুৰ ছিদ্ৰান্বেষণ কৰা ৰজাৰ অন্যতম প্ৰধান কৰ্তব্য।

"নিত্যমুদ্যতদণ্ডঃ স্যান্নিত্যং বিবৃতপৌৰুষঃ।

নিত্যং সংবৃত সংবাৰ্য্যো নিত্যং ছিদ্ৰানুসাৰ্য্যৰেঃ।।" (শ্লো. ১০২)

মনুসংহিতাই ৰজাৰ চৰিত্ৰালোচনা

কৰিবলৈ গৈ কৈছে যে ৰজাই সদায় বগলীৰ দৰে অৰ্থচিন্তা কৰিব 'বকবচ্চিন্তয়েদৰ্থান্', সিংহৰ দৰে শক্তি সহকাৰে শত্ৰুক আক্ৰমণ কৰিব 'সিংহবচ্চ পৰাক্ৰমেৎ,' বাঘৰ দৰে চিকাৰ কৰিব 'বৃকচ্চাবলুম্পেত্' আৰু বলহীন হ'লে শহাৰ দৰে পলায়ন কৰিব শশবচ্চ বিনিষ্পতেত (শ্লো. ১০৬)।

সাম, দান, ভেদ আৰু দণ্ড হৈছে ৰজাৰ বিজয় লাভৰ আহিলা।

'এবং বিজয়মানস্য যেऽস্য স্যুঃ পৰিপন্থিনঃ।

তানানয়েদ্ বশং সৰ্বান্ সামাদিভিৰূপক্ৰমৈঃ।।' (শ্লো. ১০৭)

যিদৰে ধান ৰক্ষা কৰিবলৈ যাওঁতে তৃণৰ সৈতে ধানো উঠাই দিবলগীয়া হয় তেনেদৰে শিষ্টক ৰক্ষণাবেক্ষণ দিবলৈ যাওঁতে কেতিয়াবা ৰজাই সহোদৰকো শাস্তি দিবলগীয়া হ'লেও তেওঁ পিছ হুঁহকিব নালাগে বুলি মনুৱে মত প্ৰকাশ কৰিছে। সাধাৰণতে ৰাজকৰ্মচাৰীসকল স্বেচ্ছাচাৰী আৰু শঠ হোৱা দেখা যায়। এনে কৰ্মচাৰীসকলৰ উৎপীড়নৰ পৰা প্ৰজাক ৰক্ষা কৰাটোও ৰজাৰেই কৰ্তব্য। কাৰ্যানুসৰি দাস-দাসীসকলৰ বেতনৰ পৰিমাণ আৰু উৎপাদন অনুসৰি বিভিন্ন প্ৰজাৰ পৰা আদায় কৰিবলগীয়া বাৰ্ষিক কৰৰ পৰিমাণো ৰজাই নিৰ্ধাৰণ কৰিব লাগে। একে আষাৰে ক'বলৈ গ'লে ৰজা প্ৰয়োজন অনুসৰি অতি দুৰ্ধৰ্ষ আৰু সময়বিশেষে অতি কোমল হ'ব লাগে। তেনেজন ৰজাহে প্ৰজাৰ প্ৰিয়শাস্ত্ৰ হোৱা দেখা যায়।

—'তীক্ষ্নশ্চৈব মৃদুশ্চৈব ৰাজা ভবতি সন্মত' (শ্লো. ১৪০)

তদুপৰি অন্তঃপুৰৰ ব্যৱস্থাৱলীৰ প্ৰতিও এজন ৰজাই তীক্ষ্ণ দৃষ্টি ৰখা প্ৰয়োজন বুলি মনু সংহিতাত মত প্ৰকাশ কৰিছে।

প্ৰকৃততে ৰাজ্যৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সবিশেষ বিবেচনা কৰি সুসিদ্ধান্ত গ্ৰহণ কৰিব পৰা ৰজাজনেই, সাৰ্থক শাসক হ'ব পাৰে। কোনো কাৰ্য আৰম্ভ কৰাৰ পূৰ্বেই তাৰ ফলাফল, মঙ্গল-অমঙ্গল বিচাৰ কৰিবলৈ সমৰ্থৱান ৰজা কেতিয়াও শত্ৰুৰ হাতত পৰাভূত হ'বলগীয়া নহয়। এনেদৰে শত্ৰু-মিত্ৰ উভয়ৰ প্ৰতি সমদৃষ্টি ৰাখি ৰজাই নিজ কাৰ্য সুচাৰুৰূপে সম্পাদন কৰিব পৰাটোৱেই মনু সংহিতাৰ দৃষ্টিত সংক্ষিপ্ত ৰাজনীতি।

"য়থৈনং নাভিসন্দধ্যুৰ্মিত্ৰোদাসীন শত্ৰবঃ।

তথা সৰ্বং সংবিদধ্যাদেষ সামাসিকো নয়ঃ।।" (শ্লো. ১০৮)

মন কৰিবলগীয়া যে হাজাৰ বছৰীয়া প্ৰাচীন মনুসংহিতাৰ ৰজা আৰু ৰাজধৰ্ম সম্পৰ্কীয় দৃষ্টিভংগীৰ লগত আধুনিক ৰাজনীতি বিজ্ঞানৰ দৃষ্টিভংগীৰ যথেষ্ট মিল আছে। থমাছ হ'বছ আৰু চেইণ্ট আগষ্টাইনে ৰজাক ঈশ্বৰৰ প্ৰতিনিধি বোলা কথাষাৰত মনুৰ মতাদৰ্শ প্ৰতিধ্বনিত হোৱা যেন ভাব হয়। বৰ্তমান যুগতো ইংলণ্ড আদি দেশত ৰজা পদটি আছে যদিও ৰজাৰ ধৰ্ম বা কৰ্তব্য সীমিত হৈ পৰিছে। ভাৰতবৰ্ষৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপালত সৌ সিদিনালৈকে ৰজা আৰু ৰাজতন্ত্ৰ প্ৰৱৰ্তিত আছিল। বৰ্তমান পৃথিৱীৰ প্ৰায় সকলো দেশতে সংসদীয় গণতন্ত্ৰৰ প্ৰৱৰ্তন হৈছে যদিও শাসন পদ্ধতিত মনু সংহিতাত উপলব্ধ সাম, দান, ভেদ আৰু দণ্ডৰ দ্বাৰা প্ৰজাৰ সমৃদ্ধি আৰু আনন্দ বৰ্ধন কৰাৰ প্ৰচেষ্টাই পৰিলক্ষিত হয়।

প্ৰসংগ ঃ

১) মনুসংহিতা ঃ পণ্ডিতপ্ৰবৰ
শ্ৰীযুত শ্যামাকান্ত বিদ্যাভূষণ সম্পাদিত

(২) মনুসংহিতা ঃ পণ্ডিত হৰগোবিন্দ শাস্ত্ৰী

(৩) মনুসংহিতা ঃ আচাৰ্য জগদীশ লাল শাস্ত্ৰী।❑

কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকত ৰস ঃ এটি চমু আলোচনা

মানৱেন্দ্ৰ চাংমাই
ছাত্ৰ, স্নাতক তৃতীয় বাৰ্ষিক
ডিব্ৰু কলেজ

অভিজ্ঞানশকুন্তলম্ নাটকত মহাকবি কালিদাসে ৰসৰ ওপৰত বিশেষ প্ৰাধান্য দিয়া দেখা যায়। নাট্য শাস্ত্ৰীয় সংবিধান অনুসৰি শকুন্তলাৰ প্ৰধান ৰস হ'ল শৃংগাৰ। ইয়াত শৃংগাৰৰ সংযোগ আৰু বিয়োগ দুয়ো পক্ষই পূৰ্ণ ৰূপত প্ৰতিফলিত হোৱা দেখা যায়। শকুন্তলাৰ প্ৰাৰম্ভিক তিনিটা অংকত সম্ভোগ শৃংগাৰৰ নিৰ্দশন দেখা যায়। নাটকৰ আৰম্ভ আৰু শেষ দুয়োটাতে সম্ভোগ শৃংগাৰ হৈছে প্ৰথম অংকত নিজৰ সখী সকলৰ সৈতে বৃক্ষ লতাত জল সিঞ্চন কৰি থকা শকুন্তলাক দেখি দুষ্যন্তৰ হৃদয়ত শকুন্তলাৰ প্ৰতি অনুৰাগ অংকুৰিত হৈছিল। শকুন্তলাও দুষ্যন্তৰ আকৰ্ষণীয় ব্যক্তিত্ব আৰু মনোহৰ ৰূপ দেখি মুগ্ধ হৈছিল আৰু তেওঁৰ হৃদয়ত দুষ্যন্তৰ প্ৰতি প্ৰেম জাগিছিল। এনেদৰে নায়ক নায়িকা দুয়োজনৰে হৃদয়ত প্ৰেম উৎপন্ন হৈছিল। তৃতীয় অংকত শকুন্তলাৰ প্ৰেম পত্ৰ তন্ব ন জানে হৃদয়ं... (তৃতীয় অংক) আদিৰ দ্বাৰা সম্পূৰ্ণৰূপে আশ্বস্ত হৈ শকুন্তলা আৰু দুষ্যন্ত দুয়োৰে গান্ধৰ্ব প্ৰথা মতে বিবাহ হৈছিল। এনেদৰে সম্ভোগ শৃংগাৰৰ চৰম পৰিণতি ঘটিছিল। ইয়াৰ মাজৰ সময়ছোৱাত যি ৰসেই চিত্ৰিত হৈছিল সেই সকলো বিলাকে সম্ভোগ শৃংগাৰত পৰিপুষ্টি যোগাইছিল। নাটকৰ অন্তত এক দীৰ্ঘ সময়ৰ বিৰতিৰ পিছত দুষ্যন্ত আৰু শকুন্তলাৰ মিলনৰ দ্বাৰা সম্ভোগ শৃংগাৰ পুনৰ প্ৰতিষ্ঠিত হৈছিল।

বিপ্ৰলম্ভ শৃংগাৰ অবিহনে সম্ভোগে পৰিপূৰ্ণতা নাপায়— न विना ৱিপ্রলম্भेत सम्भीग : पुष्टिमश्नुते, এই সিদ্ধান্ত অনুসৰি কবিয়ে বিপ্ৰলম্ভৰ চিত্ৰনত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে। নাটকৰ দ্বিতীয়, তৃতীয় আৰু ষষ্ঠ অংকত মুখ্য ৰূপত

বিপ্ৰলম্ভ শৃংগাৰ বৰ্ণিত হৈছে। বিৰহাৱস্থাত দুষ্যন্তৰ বিৰহপীড়া বৰ্ণনাত নিম্নোক্ত স্থল বিশেষভাৱে দ্ৰষ্টব্য য'ত তেওঁ নিজৰ প্ৰেয়সী শকুন্তলাৰ ৰূপৰ বৰ্ণনা দিছে।

चित्रे निवेश्य परिकल्पितसत्वयीगा
रुपोच्चयेन मनसा विघिना कृता नु।
स्त्रीरत्नसृष्टिरपरा प्रतिभाति सा मे
धातुर्विभुत्वमनुचित्य वपुश्च तस्या: ॥

(বিধাতাৰ সৃষ্টি কৰাৰ সামৰ্থ্য আৰু এওঁ শকুন্তলাৰ শৰীৰ লক্ষ্য কৰাৰ পিছত মই এই কথা ভাবিবলৈ বাধ্য হৈছো যে বিধাতাৰ সৃষ্টিৰ সকলো সামগ্ৰী মনত ৰাখি কেৱল ৰূপ ৰাশিৰ দ্বাৰাই এই কৃশাঙ্গীক ৰচনা কৰি অদ্বিতীয় স্ত্ৰী ৰত্ন সৃষ্টি কৰিলে।)

अनाघ्रातं पुष्पं किशलयमलूनं कररुहै
रनाविद्धं रत्न मधु नबमनास्वादितरसम
अखण्डं पुण्यानां फलमिव च तदुपमनघं
न जाने भोक्तारं कमिह समुपस्थास्यति विधि: ॥

(কেতিয়াও নুশুঙা ফুলৰ নিচিনা, কেতিয়াও নখেৰে মোহাৰি নেপেলোৱা, কোমল কুঁহি পাতৰ নিচিনা, নিবিন্ধা ৰত্নৰ নিচিনা, চুঁহি খোৱা নতুনকৈ ওলোৱা মৌৰ নিচিনা আৰু পূণ্যৰ অখণ্ড ফলৰ নিচিনা শকুন্তলাৰ এই অনবদ্য সৌন্দৰ্যৰ নাজানো বিধাতাই এই সংসাৰত কাকনো উপভোক্তা কৰিব।)

তৃতীয় অংকৰ আৰম্ভণিতে দুষ্যন্তৰ বিয়োগত শকুন্তলাও অত্যন্ত কৃশকায় হৈ পৰিছে আৰু পুষ্পশয্যাত শয়ন কৰা দৃষ্টি গোচৰ হৈছে। কামভাৱত তেওঁ অত্যন্ত অসুস্থ হৈ পৰিছে। তেওঁৰ শৰীৰত কেৱলমাত্ৰ লাৱণ্যময়ী ৰূপহে অৱশিষ্ট আছেগৈ। গান্ধৰ্ব বিবাহ হৈ যোৱাৰ পিছত তৃতীয় অংকৰ অন্ততে বিপ্ৰলম্ভ শৃংগাৰৰ স্থিতি দেখা পোৱা যায়। চতুৰ্থঅংকত শকুন্তলাৰ বিদায়ত এক মৰ্মস্পৰ্শী কাৰুণ্যৰ অভিব্যঞ্জনা ঘটিছে। যাৰ কাৰণে বিতৰাগ কন্বৰ সৈতে শকুন্তলাৰ সখী সকল আৰু সমস্ত তপোবনৰ গছ-লতিকা বিলাকো বিৰহ ব্যথিত হৈ পৰিছে। এই সন্দৰ্ভত চতুৰ্থ অংকৰ —

यास्यत्यदय शकुन्तलेति हृदयं संस्पृष्टमुत्कण्ठया

कण्ठः स्तम्भितवाष्पवृत्तिकलुषश्चिन्ताजडं दर्शनम्।
वैक्लव्य् मम तावदीदृशमपि स्नेहादरण्यौकस:
पीढ्यन्ते गृहिणः कथं नु तनयाविश्लेषदुःखैर्नवैः ॥

(আজি শকুন্তলা যাবগৈ এই কাৰণে মোৰ হৃদয় দুখেৰে পৰিপূৰ্ণ হৈ পৰিছে। অশ্ৰুক বাধা দি ৰখা কাৰণে কণ্ঠ ৰুদ্ধ হৈ গৈছে, চিন্তাৰ কাৰণে দৃষ্টি নিঃতেজ হৈ পৰিছে। মোৰ নিচিনা এজন বনবাসীৰো স্নেহবশতঃ এনেকুৱা দুখ হৈছে গৃহস্থজনৰ যে নিজৰ পুত্ৰীৰ বিয়োগত কিমান অধিক দুখ হ'ব!)

उद्गीर्णदर्भकवला मृगोपरित्यक्तनर्तना मयूरी।
अपस्मृतपाण्डुपत्रा मुञ्चन्ति अश्रु इव लताः।।

(হৰিণী বিলাকে নিজৰ মুখৰ পৰা কুশ ঘাঁহবিলাক উলিয়াই পেলাইছে। ময়ূৰী বিলাকে নাচিবলৈ এৰি দিছে আৰু লতা বিলাকে হালধীয়া পাত বিলাক তললৈ পেলাই দি যেন চকুপানীহে টুকিছে।

यस्य त्वया व्रणविरोपणमिङ्गुदीनां
तैलं न्यषिच्यत् मुखे कुशमुचिविद्ध्।
श्यामाकमुष्टिपरिवर्धितको जहाति
सोऽयं न पुत्रकृतकः पदवी मृगस्ते ॥

(তুমি যাক কুশ ঘাঁহৰ আগেৰে বিন্ধিলে ইংগুদীফলৰ তেল লগাই ঘা বিলাক শুকুৱাই দিছিলা, আশ্ৰমত হোৱা চাউল মুঠি মুঠিকৈ খুৱাই লালন পালন কৰিছিলা সেই পুত্ৰসম হৰিণা পোৱালিটোৱে তোমাৰ পথ এৰি দিব খোজা নাই।)

আদি শ্লোক বিশেষভাৱে দ্ৰষ্টব্য। এনেদৰে পঞ্চম অংকতো দুষ্যন্তৰ দ্বাৰা তিৰস্কৃত শকুন্তলাই অত্যন্ত ক্ষুণ্ণ হৈ যেতিয়া ভগৱতী বসুন্ধৰাৰ শৰণাপন্ন হৈছে— भगवति बसुन्धरे देहि मे अन्तरम्। সেই ঠাইটো কাৰুণ্যৰে ব্যঞ্জনা ঘটিছে। নাটকখনত শৃংগাৰৰ পিছতেই কৰুণ ৰসে দ্বিতীয় স্থান অধিকাৰ কৰিছে।

দ্বিতীয়, পঞ্চম আৰু ষষ্ঠ অংকত বিদূষকৰ নানাধৰণৰ কাৰ্য আৰু উক্তিয়ে হাস্য ৰসৰ অৱতাৰণা কৰিছে। পঞ্চম অংকৰ আৰম্ভণিতেও বিদূষকৰ मृहीतर्हत्वे परकीयाभ्यां हसाभ्यां আদি উক্তিয়ে দৰ্শকৰ হৃদয়ত হাস্য ৰসৰ সঞ্চাৰ কৰে। ষষ্ঠ

অংকত বিদূষকে কাম দেৱতাৰ কাম বানক দণ্ডৰে প্ৰহাৰ কৰাৰ অপচেষ্টাই হাস্য ৰসৰ উদ্বেগ ঘটায়।

শকুন্তলা নাকটত উপৰোক্ত ৰস কেইটাৰ বাহিৰেও কম পৰিমাণে বীৰ ৰসৰো প্ৰভাৱ দেখা যায়। এই ক্ষেত্ৰত তৃতীয় অংকৰ का कथा बाणसन्धाने আদি বাক্য উল্লেখনীয়। ৰজাৰ প্ৰশস্তি আৰু মাতলিৰ দ্বাৰা দৈত্য বিলাকৰ বধৰ পাছত দুষ্যন্তৰ বীৰত্বৰ যি উল্লেখ আছে সিও বীৰ ৰসৰে সঞ্চাৰ কৰে।

শকুন্তলা নাটকত ভীতিবিহ্বল হৈ পলাই যোৱা হৰিণাৰ বৰ্ণনা, দুষ্যন্তৰ শৰৰ বৰ্ণনা আদিত ভয়ানক ৰস, দুৰ্বাসা মুনিৰ অভিশাপ তথা পঞ্চম অংকত শাৰ্ঙ্গৰৱ আদিৰ কথোপকথনৰ দ্বাৰা ৰৌদ্ৰ ৰস আৰু সপ্তম অংকত মাৰীচৰ পাৱন আশ্ৰমৰ বৰ্ণনাত শান্তৰস আৰু সপ্তম অংকৰ সৰ্বদমনৰ বৰ্ণনা आलक्ष्यदन्तमुकुलान .. किं नु खलु बाले अस्मिन्नौरस इव... वत्सलयति- আদি ঠাইত বাৎসল্য ৰসৰ সঞ্চাৰ হৈছে। এনেদৰে মহাকবি কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকত বিভিন্ন ৰসৰ অপূৰ্ব সমাহাৰেৰে সংস্কৃত কাব্য সাহিত্যত নাটকখনে শ্ৰেষ্ঠতাৰ দাবী কৰিব পাৰিছে। ❑

অসমীয়া ভাষাত সংস্কৃত শব্দৰ ব্যৱহাৰ

বন্তি গগৈ
ছাত্ৰী, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
ডিব্ৰু কলেজ

"অমৃতং মধুৰং সম্যক্ সংস্কৃতং হি ততোঽধিকম্।
দেৱভোগ্যমিদং তস্মাৎ দেৱভাষেতি কথ্যতে।।"

যদিও 'অমৃত' বুলি বিশেষকৈ কোনো দ্ৰব্য পোৱা নাযায় তথাপি লোকবিশ্বাসমতে 'অমৃত' অতি মধুৰ। যিটো দেৱতাইহে ভোগ কৰিব পাৰে আৰু ই হ'ল মানুহৰ পৰম ইপ্সিত বস্তু। কিন্তু অমৃততকৈও এই সংস্কৃত ভাষা অধিক অধিক মধুৰ। যাক কোৱা হয় দেৱভাষা— অৰ্থাৎ দেৱতাইহে কোৱা ভাষা। জনবিশ্বাসমতে অমৃত পান কৰিলে মনুষ্যৰো অমৰত্ব লাভ হয় বুলি কোৱা হয়। অৱশ্যে প্ৰাচীন মহাকাব্য বিলাকত পোৱাৰ বাহিৰে আজিৰ সময়ত অমৃত পান কৰি মানুহে অমৰত্ব লাভ কৰা দেখা নাই তথা শুনাও নাই। লোকবিশ্বাসমতে এই সংস্কৃত ভাষা কওঁতাজন নিশ্চয় দেৱতা হ'ব লাগিব। সেয়ে ইয়াক কোৱা হয় দেৱভাষা। গতিকে এই সংস্কৃত ভাষা সম্পৰ্কে জ্ঞান থাকিলে আৰু তাক বাস্তৱ ক্ষেত্ৰত যদি প্ৰয়োগ কৰা হয় তেন্তে সেইজন ব্যক্তিয়ে দেৱতাৰ স্থান নাপালেও সমাজৰ হিতাৰ্থে চিন্তা কৰা জ্ঞানীলোক হিচাপে পৰিচিত হ'ব, ই নিশ্চিত। আমি যাৰ পৰা জন্ম হওঁ সেয়া হৈছে জন্মদাত্ৰী মাতৃ। তেওঁক কোনো ক্ষেত্ৰতেই অৱমাননা কৰিব নোৱাৰো, অৱহেলা কৰিব নোৱাৰোঁ। যদিহে তেনে কৰা হয় তেতিয়া আমি আমাৰ দায়িত্ব তথা কৰ্তব্য পূৰণ কৰাত ব্যৰ্থ হ'ম। ইয়াৰ ফলত আমাৰ দায়িত্বজ্ঞানহীনতাৰ পৰিচয়হে দিম। তেনেদৰে আমাৰ দৈনন্দিন জীৱনত ভাৱৰ আদান-প্ৰদান কৰিবলৈ অসমীয়াকে প্ৰমুখ্য কৰি ঠাইভেদে বাঙালী, উড়িয়া, মাৰাঠী, হিন্দী ইত্যাদি ভাষাৰ বহুলভাৱে ব্যৱহাৰ কৰা হয়। এই ভাষাবিলাকৰ উৎস বিচাৰিলে আমি স্পষ্টকৈ সংস্কৃত ভাষাকেই দেখা পাম। সেয়েহে নিজ মাতৃৰ দৰে আমাৰ

মাতৃভাষাসমূহৰ মাতৃক অৱহেলা নকৰি সকলো দিশতেই আৰু অধিক আগবঢ়াই নিয়াটো আমাৰ সকলো সন্তানৰো নিজ মাতৃৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য। অন্যথাই অন্য কোনোৱে নিজ মাতৃক অৱহেলা কৰাৰ দৰে আমাৰ মাতৃভাষাক পদদলিত কৰি অন্য কোনো ভাষাই আগ্ৰাসন কৰিবহি। অসমলৈ মিশ্যনেৰী তথা বৃটিছসকল অহাৰ পাছত অসমৰ স্কুল, কছাৰী, অফিচ্-আদালত আদি সকলোতে অসমীয়াৰ পৰিৱৰ্তে বাঙালী ভাষা প্ৰচলন হোৱাৰ মূলতে হ'ল নিজ মাতৃ ভাষাৰ প্ৰতি অৱহেলা। অৱশ্যে পৰাধীনতাও ইয়াৰ এটা মুখ্য কাৰণ। ইয়াৰ পুনৰাবৃত্তি যেন কেতিয়াও ঘটিব নোৱাৰে তাৰ প্ৰতি সৰ্বদা সজাগ হোৱা উচিত।

দেৱভাষা সংস্কৃতৰ পালি, প্ৰাকৃত আৰু অপভ্ৰংশ এই তিনিটাই প্ৰধান ভাগ যি কেইটাৰ পৰা আমাৰ ৰাষ্ট্ৰীয় ভাষাৰ উপৰি অন্যান্য আঞ্চলিক ভাষাবিলাকৰ উৎপত্তি ঘটিছে। অসমীয়া, হিন্দী, উড়িয়া, পাঞ্জাবী, মাৰাঠী, গুজৰাটী আদি ভাষাক উদাহৰণ স্বৰূপে ল'ব পাৰোঁ। এই ভাষা বিলাকৰ অধিকাংশ শব্দই মূলতঃ সংস্কৃতৰ। সাধাৰণতে আমি ভাব বিনিময় কৰোঁতে গম নাপাওঁ কিন্তু গভীৰভাৱে অনুধাৱন কৰিলে ইয়াৰ সত্যতা প্ৰমাণিত হয়। অসমীয়া ভাষাৰ আটাইবোৰ শব্দই সংস্কৃতৰ বুলিলেও অত্যুক্তি কৰা নহ'ব। কিন্তু আধুনিক অসমীয়া ভাষাত এতিয়া কিছুমান বিদেশী তথা প্ৰতিবেশী শব্দৰ পয়োভৰ ঘটি ইয়াৰ পৰিসৰ বৃদ্ধি পাইছে। যাৰ ফলত শব্দৰ ভঁৰাল মেটমৰা হৈছে। কিন্তু ইয়াৰ মূল খুঁটাটো সবল আৰু সুদৃঢ় নহ'লে ই তিষ্ঠি থকা অসম্ভৱ। এই সংস্কৃত ভাষাত কি নাই এয়াহে প্ৰশ্ন হোৱা উচিত। কি আছে নহয়। বিজ্ঞান, কলা, বাণিজ্য, চিকিৎসা, ৰাজনীতি, সাহিত্য-সংস্কৃতি, ব্যাকৰণ, সংখ্যাপ্ৰণালী তথা গণিত, সংগীত, ক্ৰীড়া ইত্যাদি সকলোবোৰেই আছে। যাক ইমান কম সময় তথা কলেবৰৰ ভিতৰত সন্নিবিষ্ট কৰা অসম্ভৱ। ভুৰুকাত হাতী ভৰোৱাৰ দৰে এই লিখনিৰ জৰিয়তে উপৰোক্ত বিষয়টোৰ ওপৰত কিঞ্চিত আলোচনা আগবঢ়োৱাটোহে প্ৰয়াস কৰা হৈছে।

অসমীয়া ভাষাটোও যিহেতু সংস্কৃতিৰ পৰাই জন্ম হোৱা সেয়েহে অসমীয়া ভাষাত সংস্কৃত সংস্কৃত শব্দৰ প্ৰভাৱ তথা গুৰুত্ব অসীম, যাক ভাষাৰে প্ৰকাশ কৰা অসম্ভৱ। যেনেদৰে মানুহৰ আকাংক্ষাৰ পৰিধি অসীম তেনেদৰে সংস্কৃত ভাষাৰ পৰিধিও অনন্ত, যিমানে পাই গৈ থাকিম সিমানে ওলায়ো গৈ থাকিব। ৰাতিপুৱাই শুই উঠিয়েই সুপ্ৰভাত বুলি কওঁ। যাক সংস্কৃতত কোৱা হয় "সুপ্ৰভাতম্'। আমি সাধাৰণতে গম নোপোৱাকৈ প্ৰায়বিলাক সংস্কৃত শব্দকেই বাৰ্তালাপত ব্যৱহাৰ কৰোঁ যেনে বিদ্যালয়, মহাবিদ্যালয়, যান-বাহন, ছাত্ৰ-ছাত্ৰী, পাঠ্যপুথি, উদ্যান

ইত্যাদি। 'নয়ন চকু, ওঠ-ওঁঠ, স্কন্ধ-কান্ধ, কৰ্ণ-কাণ, মুণ্ড-মূৰ, কেশ-চুলি, দন্ত-দাঁত, চৰ্ম-ছাল, হস্ত-হাত আদি শব্দসমূহ সংস্কৃতৰ পৰা পালি, প্ৰাকৃতৰ মাজেদি সামান্য গঢ় সলাই, 'তদ্ভৱ' শব্দৰ ৰূপেৰে অসমীয়া ভাষাত বিদ্যমান। চন্দ্ৰ, সূৰ্য, নদী, সাগৰ, কৃষ্টি, সংগীত, কাব্য-সাহিত্য, ক্ৰীড়া আদি সকলোবোৰেই সংস্কৃত শব্দ। আমাৰ অসমীয়া সমাজত সততে বিবাহ, অন্নপ্ৰাসন, জন্মদিন, শ্ৰাদ্ধ, পূজা আদিৰ নিমন্ত্ৰণী পত্ৰ বিলাকত আৰম্ভণিতেই সাধাৰণতে এফাঁকি সংস্কৃত শ্লোক দিয়া যায়। এই পৰম্পৰায়ো অসমীয়া ভাষাত সংস্কৃতৰ প্ৰভুত্বকেই সূচায়। তাৰোপৰি যদিহে আমি লক্ষ্য কৰোঁ তেতিয়া সহজেই চকুত পৰিব যে এই নিমন্ত্ৰণী পত্ৰবিলাকত ব্যৱহৃত হোৱা শ্ৰদ্ধাভাজন, বিনম্ৰ, গত, কৰযোৰে আদি প্ৰায় এক তৃতীয়াংশ শব্দৰ মূল হ'ল সংস্কৃত। তদুপৰি আমি সততে ব্যৱহাৰ কৰা কিছুমান শব্দ যেনে— ৰাষ্ট্ৰপতি, ৰাজমাতা, মন্ত্ৰীপৰিষদ, সভা, উদ্বোধক, সমাগত আদি শব্দবিলাকো সংস্কৃতেই। অসমীয়া ভাষাত সংস্কৃত শব্দ বিচাৰিবলৈ গ'লে গোটেই জীৱন ব্যাপি চলালেও এই কাম শেষ নহ'ব। ইয়াত মাথোন কিঞ্চিত ধাৰণা এটা দিবলৈ চেষ্টা কৰা হৈছে। তদুপৰি এইকেইটা সামান্য উদাহৰণেৰে সংস্কৃত ভাষাৰ বিষয়ে একোটা ধাৰণা দিয়া অসম্ভৱ। মুঠৰ ওপৰত এটাই কথা যে অসমীয়া ভাষাত সংস্কৃত শব্দৰ প্ৰভাৱ আৰু গুৰুত্ব অপৰিসীম। কিন্তু তাতোতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল ইয়াক দৈনন্দিন জীৱনত ব্যৱহৃত ভাষা হিচাপে গঢ়ি তোলা আৰু ইয়াক জনমানসত প্ৰতিষ্ঠিত কৰা।

যিদৰে অমৃত পানৰ বাবে সকলোৱে অতি ইচ্ছুক তথা এয়া পৰম আকাংক্ষা, পৰম ইপ্সিত বস্তু তেনেদৰে সংস্কৃত ভাষাটোও শিকিবলৈ, জানিবলৈ সকলোৱেই ইচ্ছুক হোৱা উচিত। অমৃতৰ দৰে সংস্কৃত ভাষাও পৰম ইপ্সিত ভাষা হিচাপে পৰিগণিত হোৱাৰ কামনাৰে ড° মুকুন্দ মাধৱ শৰ্মা দেৱৰ দ্বাৰা ৰচিত এফাঁকি সুভাষিতানিৰে সামৰিছো।

"শান্তি মৈত্ৰী সুখপ্ৰসৱিনী
প্ৰেম-প্ৰীতি ভাব-বিলাসিনী
কামধেনুৰিৱ বিভৱস্ৰাৱিণী

প্ৰসৰতু সুৰভাৰতী
বিজয়েতে সুৰভাৰতী।"□

উদ্যমঃ সা
যদেতে য
উদ্যম সা
সমস্ত পৃথিৱীয়ে
অল্পনামপি
তৃণৈগুণত্ব
ক্ষুদ্ৰ ক্ষুদ্ৰ
তৃণ বিলাক এ
পাৰি।
অসম্ভৱম
প্ৰায় ঃ স
পুংসাং ম
সোণৰ ম
উপস্থিত হ'লে

DIBRU COLLEGE LIBRARY
DIBRUGARH
DATE DUE
This book is to be returned to this Library on or before the date last stamped below. An over-due charge as per Library rules will be charged if the book is kept over-time.

the National Institute of Pharmaceutical Education and Research ... Centre for performing Art in Guwahati on Tuesday. (Samuel)

Seminar on role of Sanskrit in present day education held

From our Staff Reporter
DIBRUGARH, Sept 16: The Sanskrit department of Dibru College organised a [illegible] ...

college, M Borbora, inaugurated the seminar. The head of the Sanskrit department, Madhumita Goswami Borthakur, delivered the welcome address. Dr JN Sharma of Dibrugarh University spoke on the contribution of Sanskrit in scientific development. Speaking on the occasion, Ananda ... Barooah award winner, Dr JN Bhuyan, called the ancient language the lingua franca of gods or devas. He further said that only its regular use by people could help it survive. ... that a good ... was necessary for ... to understand their art.

The seminar was chaired by Prof Ponu Mahanta. Two students of the department was felicitated on the occasion.

introduce

MAILGAON, Se... 139 Rail Sampark national enquiry ... Railways has b... operation for the be... the people.

The service ... number ie, 139 h... enquiries pertaining ... departure, schedules ... plying between two ... PNR and reservation ... status and fare enqui... was started in a press ...

Jork ... opathic centre combines hospitality

ডিব্ৰু মহাবিদ্যালয়ত আলোচনা চক্ৰ সম্পন্ন

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰ ঃ 'সংস্কৃত ভাষাটোৰ বৰ্তমান সময়ত প্ৰয়োজন আছে। সংস্কৃত ভাষা ভাৰতৰ দেৱনাগৰী ভাষা। সেই ভাষাটোৰ ওপৰতেই ভাৰতীয় ভাষাসমূহে গঢ় লৈ উঠিছে।' ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক তথা বিশিষ্ট লেখক আৰু সাহিত্য সমালোচক ড° পোনা মহন্তই এইদৰে কয়। ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত সংস্কৃত বিভাগৰ উদ্যোগত কালি আয়োজিত সংস্কৃত দিৱসৰ এক কাৰ্যসূচীত জনাকীৰ্ণ এক সভাত ড° মহন্তই 'বৰ্তমান সময়ত সংস্কৃত শিক্ষাৰ প্ৰয়োজনীয়তা আছেনে?' শীৰ্ষক এক আলোচনাত সঞ্চালক হিচাপে এইদৰে মন্তব্য দিয়ে। অনুষ্ঠানত মুখ্য আলোচক হিচাপে ভূতত্ত্ব বিভাগৰ প্ৰাধ্যাপক তথা লেখক ড° যোগেন্দ্ৰ নাথ শৰ্মা আৰু সংগীতজ্ঞ তপন বৰদলৈয়েও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অধ্যাপক তথা অসমীয়া বিশ্বকোষৰ সাহিত্য খণ্ডৰ সম্পাদক আৰু আনন্দৰাম বৰুৱা বঁটা প্ৰাপক ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞাই 'সংস্কৃত-সংস্কৃতি, ২০০৮' শীৰ্ষক এক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। মংগলা চৰণ পাঠেৰে শুভাৰম্ভ হোৱা কাৰ্যসূচীৰ আৰম্ভণিতেই ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মীৰেণ বৰবৰাই বন্তি প্ৰজ্বলনেৰে আলোচনা চক্ৰ উদ্বোধন কৰে। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা মধুমিতা গোস্বামী বৰঠাকুৰে উপস্থিত সকলোলৈকে স্বাগতম মূলক ভাষণ পাঠ কৰে। নিখিল প্ৰাণ গগৈয়ে গীতা পাঠ কৰে। এই অনুষ্ঠানতে ২০০৮ৰ বিভিন্ন পৰীক্ষাত সংস্কৃতত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীকো সম্বৰ্ধনা জনোৱা হয়।